

কালামুল ইছলাম- ৪

# ইছলামত সংস্কাৰবাদ




pdf By Syed Mostafa Sakib

محمد فاروق عبدالله نوری

মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰী

pdf By Syed Mostafa Sakib

*'Islamat Sanskarbad' : A booklet compiled and edited by Muhd. Faruque Abdullah Noori following the advice of Hazarat A'llama Alhaj Mufti Sayed Shahid Ali Miyan Noori Rezvee Zamali Qadri Saheb, Principal, Al-Jamia'tul Islamia Madrassa, Rampur (U.P) and published by 'Raza Foundation', Muslimghopa, Sipajhar, Darrang, (Assam), Price : Rs 15.00 (Fifteen) only.*

প্ৰথম প্ৰকাশ ঃ ৭ ফেব্ৰুৱাৰী, ২০১৩ ইং

নগৰবাহী উ'ৰছ মোবাৰক

উন্মোচক ঃ হজৰত আ'ল্লামা আলহাজ আবু ছুফীয়ান খাঁন আবেদী আল ক্বাদ্ৰী চাহেব, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ইছলামী বক্তা চাঁদপুৰ (বাংলাদেশ)

প্ৰকাশক ঃ 'ৰাজা ফাউণ্ডেশ্বন' (গৱেষণা আৰু প্ৰকাশন কেন্দ্ৰ)

স্থাপিতঃ ইং ২০০৬ চন

মুছলিমঘোপা, ছিপাঝাৰ, দৰং (অসম)

যোগাযোগ ঃ ৯৮৫৪৮০৭০৪১

পৰামৰ্শক্ৰমে ঃ ছৈয়্যিদ শ্বাহীদ আলী মিঞাঁ নূৰী ৰিজৰী জামালী ক্বাদ্ৰী চাহেব, অধ্যক্ষ আল্ জা-মিআ'তুল ইছলামীয়া মাদ্ৰাছা, ৰামপুৰ (উত্তৰপ্ৰদেশ)

মুখ্য নিৰীক্ষক ঃ হজৰত মাওলানা ক্বাৰী মঃ আব্দুল হক ৰিজৰী চাহেব, শিক্ষক, আ'লা হজৰত একাডেমী, মঙ্গলদৈ, দৰং (অসম)

© ঃ লেখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

মুদ্ৰণ ঃ পাৰামাউন্ট অফ্‌ছেট, বৰদৌলগুৰি, দৰং

অৰিহণা ঃ ১৫.০০ (পোন্ধৰ) টকা মাত্ৰ

বেটুপাতৰ ফটো ঃ মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্‌দী ৰচিত 'কিতাবুত্তাওহিদ' আৰু মৌঃ ইছমাইল দেহ্‌লৱীৰ 'তাক্‌ৱিয়াতুল ঈমান'ৰ বেটুপাতৰ নকল।



# অভিমত

বিছ্‌মিল্লাহিৰ ৰাস্‌মানিৰ ৰাসীম

"স্বাল্লাল্লাহু আ'লান্নাবীয়ীল উম্মী ৱা আ'লিহি, স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম স্বালাতাও ৱা ছালামান আ'লাইকা ইয়া ৰাছুলাল্লাহ"

ইছলামৰ কিছুমান সৰু সৰু কথা যি আমাৰ ঈমানত প্ৰভাৱ পেলায় সেইবোৰ কথা বিশিষ্ট প্ৰবন্ধকাৰ, লেখক মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰী চাহেবে সূক্ষ্মভাৱে বিশ্লেষণ কৰি ৰাইজৰ আগত দাঙি ধৰা আমি প্ৰত্যক্ষ কৰি আহিছো। তেখেতে ইয়াৰ সমৰ্থনত বিভিন্নজন ইছলামী পণ্ডিতে লিখা মূল্যৱান গ্ৰন্থ সমূহৰ হাৱালা পেশ্ব কৰি আহিছে। এইবোৰ তেখেতৰ নিজা বক্তব্য নহয়। ক্বুৰ্‌আন পাক আৰু হাদীচ শ্বৰীফৰ আলমত এইবোৰ কথাৰ দোধোৰ মোধোৰ অৱস্থাক নিঃশেষ কৰি তেখেতে এক স্থিৰ ৰূপ দিবলৈ লেখনীৰ মাধ্যমেৰে প্ৰয়াস কৰা দেখা গৈছে। পঢ়াৰ প্ৰতি অনুৰাগী মুছলমান সকলে ইয়াৰ পৰা সু-জ্ঞান লাভ কৰিব বুলি আমাৰ আশা। নূৰী চাহেবৰ ইতিমধ্যে 'দৈনিক অগ্ৰদূত', 'অসমীয়া খবৰ', 'নিয়মীয়া বাৰ্তা' আদি বাতৰি কাকতৰ লগতে বিভিন্ন আলোচনী পত্ৰিকাত তত্ত্বগধূৰ লেখা প্ৰকাশ হৈছে। যিবোৰে সমাজত প্ৰকৃত ইছলামৰ জ্ঞান বিলাইছে। আল্লাহ পাকে নূৰী চাহেবৰ দোষ ত্ৰুটি মাফ কৰি শুদ্ধ পথ অনুসৰণত সহায় কৰক আৰু ইছলামৰ সেৱা কৰি যাবলৈ তৌফিক দান কৰক। আ-মীন।

(মুফ্‌তী) মুহাম্মদ ৱালিউদ্দিন আহমেদ ৰিজৰী মিশ্ববাহী
(লেখক, বিশিষ্ট ইছলামী বক্তা),
বুঢ়ীগাঁও, দলগাঁও, দৰং, অসম
তাং- ২৮-০১-২০১৩ ইং

pdf By Syed Mostafa Sakib



# ভূমিকা

বিছ্মিল্লাহিৰ ৰাস্মানিৰ ৰাসীম
"আল্লাহু ৰাব্বু মুসাম্মাদিন স্বাল্লা আ'লাইহি ৱা ছাল্লামা, নাস্নু ই'বাদু মুসাম্মাদিন স্বাল্লা আ'লাইহি ৱা ছাল্লামা।"

'তৌহিদ' ইছলামৰ মূল ভেটি। আৰবৰ পৌত্তলিক সকলৰ মাজত গভীৰতকৈও গভীৰভাৱে শিপাই যোৱা বহু ঈশ্বৰবাদ (যাক পৌত্তলিকতাবাদ বুলি কোৱা হয়) আৰু ইয়াৰ কুফল সমূহক বিতাৰিত কৰি পূৰ্ণ শান্তিবাদ (ইছলাম) প্ৰতিষ্ঠা কৰা হৈছিল এই তৌহিদক মূল হিচাপে লৈয়েই। ইয়াৰ মূল হোতা আছিল হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম। এই তৌহিদত আমাৰ কোনো দ্বিমত নাই। ৰছুলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে প্ৰতিষ্ঠা কৰা তৌহিদ পবিত্ৰ কুৰ্আন আৰু হাদীচৰ মাধ্যমেৰে আমি প্ৰত্যক্ষভাৱে প্ৰাপ্ত হৈছো। ইয়াত কোনো খুটি-নাতি বৈ যোৱা নাই।

পিছে তৌহিদক নতুন ৰূপত সজাই কিছুমান নতুন কথা সুচৰি উলিয়াই সৰল তৌহিদ বিশ্বাসী সকলৰ গাত কিছুমান অপবাদ বা অপৰাধমূলক অনুভূতি জাপি দি অন্য পিনে গতি কৰোৱাৰ চেষ্টা কিছুমান বৰ্তমান দেখা গৈছে। অদৰকাৰী ভাবেই এটা সৰল কথাক (তৌহিদ) সুচৰি তৌহিদবাদী সকলৰ গাত কালিমা সানিবলৈ চলোৱা যিকোনো প্ৰচেষ্টাৰ বিৰোধীতা কৰিবলৈ এই গ্ৰন্থখন ৰচনাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হ'ল।

মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্দীয়ে তৌহিদৰ নামত অযথা তোলপাৰ লগাই ইছলামী শ্ৰদ্ধাবাদ তথা ভক্তিবাদৰ ওপৰত কুঠাৰাঘাট কৰি ইছলামী সমাজৰ কাঠামো চিন্ন ভিন্ন কৰাৰ প্ৰচেষ্টাতো তেওঁৰ সময়ৰ পৰা এতিয়ালৈ চলিয়ে আছে। এখেতে তৌহিদক যি প্ৰকাৰে প্ৰতিষ্ঠা কৰিব বিচাৰিছে তাক আমি যিসকলে গুৰুত্ব দিম তেওঁক ওৱাহাবী তৌহিদবাদৰ অনুসৰণকাৰী বুলি নিশ্চয় ক'বই লাগিব। চমুকৈ 'ওহাবী' বুলি কোৱা হয়। এ, নাদৱী চাহেবে তেওঁৰ জীৱন জ্যোতি-১৫ নং 'বেদাত দফন ঐক্যৰ ইন্ধন'ৰ ১৮ পৃ:ত লিখা অনুসৰি — "ওহাবী ওহাবী কৰি যি তোলপাৰ লগোৱা হয় তাৰ নাম গোন্ধে হাদীচত নাই।" কথাষাৰ সঁচা পিছে নজ্দীয়ে প্ৰতিষ্ঠা কৰা নৱ তৌহিদবাদটো সঁচা নে মিছা? এই কথাৰ উত্তৰ বিচাৰিলেই এখেতৰ এই





বাক্যষাৰীৰ অৰ্থ নিজেই বিচাৰি পাব। ইতিহাস অধ্যয়ন কৰিলে এয়া নিশ্চয় ওলাই পৰিব।

নাদৱী চাহেবে আৰু কৈছে —"ওহাবী শব্দটো বেৰেলৱী ফেৰকাই প্ৰতিশোধৰ মনোভাবেৰে বনাই লৈছে।" পিছে মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্দীক অনুসৰণ কৰোতা সকলেহে ইয়াক সৃষ্টি কৰিছে। বেৰেলৱী (ই ফিৰকাহ নহয়, মূল ইছলামত থকা সকলহে) ইয়াক সৃষ্টি কৰা নাই। তেখেতে লিখা অনুসৰি বেৰেলৱীয়ে ইয়াৰ বিৰোধীতাহে কৰিছে। ওহাবী মযহবটো গুৰি ধৰোতা মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্দী। তেওঁ এজন বিখ্যাত ইছলামী সংস্কাৰবাদীৰূপে নিজকে প্ৰকাশ কৰিছিল। তেওঁক অনুসৰণ কৰি চলাসকলে ওৱাহাবী (ফতোৱা ৰচিদীয়া)। তাতে আৰু বেলেগ কাৰো ওপৰত 'ওহাবী' নামৰ চাপ মৰা নাথাকে।

গালি-গালাজ সম্পৰ্কত ইয়াৰ বাৰণ কৰাকৈ স্পষ্ট হাদীচ শ্বৰীফ আছে। আমি গালি গালাজ কিয় পাৰিম। কেতিয়াবা প্ৰয়োজন সাপেক্ষে আত্মৰক্ষাৰ হাথিয়াৰ হিচাপে ভুলতে ইয়াক ব্যৱহাৰ কৰিলেও আল্লাহ ৰাব্বুল আ'লামিনৰ ওচৰত মাফ বিচাৰিছো।

আমি প্ৰিয়নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ছুন্নত অনুসৰণকাৰীহে আৰু নবী পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক অনুসৰণকাৰী সকল যেনে- চাহাবা কিৰাম ৰাদ্বিয়াল্লাহু আ'নহু, তাবেইন-তাবে তাবেইন, চল্ফে স্বালিহীন, আইম্মায়ে মুহাক্কীকিন, ফুক্বাহা কিৰাম, হাফিজ, ক্বাৰী, মাওলানা, মুফ্তী, ৱলী, বুজুৰ্গ আদি সকলৰ সৈতে থকা মানুহ। নিজা বিশ্লেষণেৰে সকলোকে অস্বীকাৰ কৰি অথবা ডাংকোপত মত্ত হৈ সৰল মুছলমান সকলক হেয় কৰা সকলৰ ভিতৰত আমি নহও। কিন্তু আমি এইটো বিচাৰো যে শুদ্ধ ৰূপত অন্য পৃথিৱীৰ প্ৰত্যেকজন মানুহৰ অন্তৰত ইছলাম প্ৰৱেশ কৰক আৰু ইছলামৰ আটাইবোৰ আহকামৰ বাবে মানৱ জীৱনৰ অংগ হৈ যাওঁক আল্লাহে আমাৰ চেষ্টা ক্বুল কৰক। আ-মীন বি জাহে ছায়্যিদুল মুৰ্ছালিন স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম।

—খাদিমে দ্বীন
মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰী
তাং-২৫-০১-২০১৩ ইং

pdf By Syed Mostafa Sakib



ভিতৰৰ পৃঃত —


১। ওৱাহাবীয়ৎ সম্পৰ্কত কেইটামান হাদীচ মুবাৰক — ৫

২। মুহাম্মদ বিন্ আব্দুল ওৱাহাব নজ্দীৰ সংক্ষিপ্ত পৰিচয় — ৭

৩। ওৱাহাবীয়ৎ সম্পৰ্কত বুজুৰ্গানে দ্বীনসকলৰ অভিমত — ৯

৪। ওৱাহাবী সকলৰ ভ্ৰান্ত মতবাদ আৰু এই সম্পৰ্কত আহ্লে ছুন্নত ৱাল জামাআ'তৰ আক্বীদাহ — ১২

৫। ভাৰতবৰ্ষত ওৱাহাবীয়ৎৰ আগমণ — ২২



## ছুন্নী লাইব্ৰেৰী প্ৰতিষ্ঠা কৰো আহক

সাম্প্ৰতিক সময়ত বাত্বিল ফিৰক্বাহ সমূহে সমাজত প্ৰভূত পৰিমাণে বিস্তাৰ লাভ কৰিছে। সেয়ে বৰ্তমান সময়ত নিজৰ ঈমান আৰু আক্বীদাহ শুদ্ধ পথত বচাই ৰাখিবৰ কাৰণে আমি প্ৰত্যেকেই ঘৰতেই হওঁক বা মছজিদতেই হওঁক নিম্নলিখিত গ্ৰন্থ সমূহৰ এটি লাইব্ৰেৰী প্ৰতিষ্ঠা কৰাৰ অতি প্ৰয়োজন হৈ পৰিছে। গ্ৰন্থ সমূহৰ এখন তালিকা দিয়া হ'ল— (১) 'তাব্লিগী জামায়াতেৰ গুপ্ত ৰহস্য', (২) 'ফায়জানে ছুন্নত', (৩) 'তফছীৰে কানজুল ঈমান', (৪) 'বাহাৰে শ্বৰীঅ'ত', (৫) 'কানুনে শ্বৰীঅ'ত', (৬) 'জা-আল হাক্ক', (৭) 'শ্বানে হবিবুৰ ৰহমান', (৮) 'আনোৱাৰে শ্বৰীঅ'ত', (৯) 'ছুন্নী বেহেস্তী জেওৰ'।

ওপৰোক্ত গ্ৰন্থসমূহ বৰ্তমান বঙালী ভাষাত উপলব্ধ। যোগাযোগ কৰিব্ পাৰে হুদা কেপ এণ্ড বুক হাউচ, মঙ্গলদৈ- ৯৮৫৪২৫৭৯৪৯, খাৰুপেটীয়া বুক হাউচ, খাৰুপেটীয়া- ৮৮৭৬০১০৯৫৪।






-বিছ্মিল্লাহিৰ ৰাহ্মানিৰ ৰাহীম-

নাহ্মাদুহু ৱা নুছাল্লী আ'লা ৰাছুলিহিল কাৰীম

ইছলাম ধৰ্মত প্ৰথমবাৰৰ বাবে সংস্কাৰ আনি মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্দীয়ে তেওঁৰ নামেৰে আৰবত ওৱাহাবী মতবাদৰ জন্ম দিয়ে। এই সংস্কাৰবাদী মতবাদৰ আতিগুৰি মাৰি ইয়াত হাদীচ পাক আৰু ফুক্বাহা কিৰাম তথা সোঁ-পন্থী, বাওঁ-পন্থীৰ আলোকত বিস্তাৰিতভাৱে আলোচনা আগবঢ়োৱা হৈছে।

মানৱতাৰ ত্ৰাণকৰ্ত্তা (Saviour of Humanity) হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে ইৰ্শ্বাদ ফৰ্মাইছে — "মোৰ উম্মত সকল ৭৩ টা দলত বিভক্ত হ'ব তাৰ মাজত এটি দলৰ বাহিৰে বাকী ৭২ টি দল পথভ্ৰষ্ট আৰু জাহান্নামী হ'ব।" একমাত্ৰ নাজী (নাজাত প্ৰাপ্তি দল) দল কোনটি বুলি প্ৰশ্ন কৰাত প্ৰিয়নবী (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মালে- "মই আৰু মোৰ চাহাবা সকল যি ত্বৰীক্বাত আছো, এই মতাৱলম্বী দলটি নাজী (কামিয়াবী) দল হ'ব।" এই দলটিক কোনো কোনো হাদীচত 'জামাআ'তে ছাৱাদে আ'জম' (সংখ্যা গৰিষ্ঠ দল) বোলা হৈছে। এই জামাআ'তৰ নাম হ'ল-'আহ্লে ছুন্নত ৱাল জামাআ'ত' যাক সংক্ষেপে ছুন্নী বোলা হয়। ই হ'ল হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ মনোনীত এক যান্নাতী জামাআ'ত।

হুজুৰ আন্ৱাৰ বস্মতে আ'লম স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ নিৰ্দেশিত এই জামাআ'ত তথা ত্বৰীক্বাহ পৰৱৰ্তী সময়ৰ তাবেইন, তাবে-তাবেইন, আইম্মায়ে মুজ্তাহিদীন, মুফাচ্চিৰীণ কিৰাম, মুহাদ্দিচীন আৰু মাশ্বয়িখীন ত্বৰীক্বত সকলে মানি চলিছে। এই জামাআ'তৰ বিপুল সংখ্যা গৰিষ্ঠতা আৰু জনপ্ৰিয়তা সকলো সময়তে অক্ষুণ্ণ আছে। মাজে মাজে 'খাৰিজী', 'মু'তাজ্বিলা' প্ৰভৃতি অনেক ছুন্নী বিৰোধী বাত্বিল ও গোমৰাহী ফিৰক্বাহৰ আৱিৰ্ভাৱ ঘটিলেও সেইবোৰ দীৰ্ঘস্থায়ী আৰু ছুন্নী জামাআ'তৰ নিচিনা জনপ্ৰিয়তা অৰ্জন কৰিব পৰা নাই।

হুজুৰ তাজ্দাৰে মদীনা স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে ইৰ্শ্বাদ ফৰ্মাইছে — "ক্বিয়ামতৰ পূৰ্ব মূহুৰ্ত্ত পৰ্য্যন্ত এটা দল হক (খাঁটি) মযহবৰ ওপৰত অবিচল থাকিব।" আৰু ইৰ্শ্বাদ ফৰ্মাইছে—"মাজে মাজে গোমৰাহ (পথভ্ৰষ্ট), বাত্বিল ফিৰক্বাহৰ আৱিৰ্ভাৱ হৈ থাকিব আৰু এওঁলোকৰ শেষ দল দাজ্জালৰ লগত মিলিত হ'ব।"

হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে এই পথভ্ৰষ্ট ফিৰক্বাহ বিলাকৰ কিছু আলামত (পৰিচয়) বৰ্ণনা কৰি এওঁলোকৰ পৰা দূৰত থাকিবৰ বাবে নিৰ্দেশ দি গৈছে। এই সম্পৰ্কত স্বহীহ বুখাৰী শ্বৰীফ, মুছলিম শ্বৰীফ আৰু স্বহীহ গ্ৰন্থৰ পৰা কেইটিমান হাদীচ মুবাৰকৰ সাৰাংশ সংক্ষেপে বৰ্ণনা কৰা হৈছে —

pdf By Syed Mostafa Sakib



১। "প্ৰকৃত দাজ্জালৰ আগমণৰ পূৰ্বে প্ৰায় ৩০ (ত্ৰিশ) জন মিছলীয়া প্ৰতাৰক বা সৰু দাজ্জালৰ আৱিৰ্ভাৱ হ'ব। ধৰ্ম সম্বন্ধে এনেকুৱা নতুন নতুন কথা বাৰ্তা ক'ব যিবিলাক আগতে কেতিয়াও শুনা নাই।"

২। "পৰৱৰ্তী সময়ত কিছুমান মানুহ আহিব সিহঁতে কুৰ্আন পঢ়িব, মানুহক কুৰ্আনৰ ফালে আহ্বান কৰিব, কিন্তু কুৰ্আন সিহঁতৰ কণ্ঠনলীৰ অৰ্ন্তভাগ পৰ্য্যন্ত নাযাব। সিহঁত দ্বীনৰ পৰা এনেদৰে বাহিৰ হৈ যাব যিদৰে ধনুৰ পৰা কাঁড় বাহিৰ হৈ যায়। সিহঁতৰ পৰিচয় হ'ব মূৰ খুৰোৱা।"

৩। "সিহঁতে মানুহক আল্লাহৰ কিতাপৰ ফালে দাৱাত (আহ্বান) কৰিব অথচ সেই দাৱাতৰ লগত সিহঁতৰ কোনো সম্পৰ্ক নাথাকিব। এওঁলোকৰ নামাজ, ৰোজা আৰু কুৰ্আন তিলাৱাত দেখি খাঁটি মুছলমান সকল লজ্জিত হ'ব।"

৪। "এওঁলোকে মুছলমানৰ লগত কাজিয়া কৰি থাকিব কিন্তু অ-মুছলমান সকলৰ লগত বন্ধুতাপূৰ্ণ সৰল ব্যৱহাৰ কৰিব।"

৫। "শেষ যুগত অল্প বয়সীয়া (তৰুণ) আৰু একেবাৰে অজ্ঞানী (মূৰ্খ) বিলাকৰ এদল লোক বাহিৰ হ'ব আৰু সিহঁতে বাহ্যিকভাৱে ভাল কথা-বতৰা পাতিব অথচ সিহঁতৰ কামবোৰ ভ্ৰষ্টতাপূৰ্ণ আৰু নিকৃষ্ট হ'ব।" উপৰোক্ত হাদীচ মুবাৰক সমূহৰ বৰ্ণনাকাৰী সকল হ'ল- হজৰত আবু ছায়িদ খুদ্ৰী (ৰাঃ), হজৰত আ'লী (ৰাঃ), হজৰত আবু হুৰাইৰাহ (ৰাঃ) আৰু হজৰত আব্দুল্লাহ বিন উমৰ ৰাদ্বিয়াল্লাহু আ'নহুম। (বুখাৰী শ্বৰীফ, আৰবী দিল্লী, ২য় খণ্ড, পৃঃ ১০২৪, ১০২৮, মুৱাত্তা ইমাম মালিক আৰবী, ১ম খণ্ড, পৃঃ ১৩৮, আবু দাউদ শ্বৰীফ, আৰবী দিল্লী, ২য় খণ্ড, পৃঃ ৬৫৬, (তিৰ্মিজী) মিশ্বকাত শ্বৰীফ, আৰবী দিল্লী, ২য় খণ্ড, পৃঃ ৪৫৫, (মুছলিম) মিশ্বকাত শ্বৰীফ, আৰবী, ২য় খণ্ড, পৃঃ ৪৬২)

উল্লেখিত হাদীচ শ্বৰীফ সমূহৰ বৰ্ণনা মতে অনেক ভুৱা, মিছলীয়া ইমাম, মুজাদ্দিদ আৰু বাত্বিল ফিৰক্বাহৰ আৱিৰ্ভাৱ হ'ব। হজৰত ছৈয়্যদ শ্বৰীফ জমজানী চাহেবে তেওঁৰ বিখ্যাত 'শ্বৰেহ মওৱাক্বীফ' নামৰ গ্ৰন্থত এই বিষয়ে বিস্তাৰিত আলোচনা কৰিছে। পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি ইয়াত কেৱল ওৱাহাবীয়ৎ সম্বন্ধে আলোচনা কৰা হ'ব কাৰণ—

১। খাৱিজী, মুতাজ্বিলা প্ৰভৃতি বাত্বিল ফিৰক্বাহ বিলাকৰ নতুন ৰূপ হ'ল ওৱাহাবীয়ৎ।

২। উপৰোল্লিখিত হাদীচ বিলাকত বদ ফিৰক্বাহ বিলাকৰ যিবিলাক আলামত বৰ্ণনা কৰা হৈছে এইবিলাক ওৱাহাবী সকলৰ ক্ষেত্ৰত সম্পূৰ্ণ ৰূপে প্ৰযোজ্য হয়।

৩। চাহাবা কিৰাম ৰাদ্বিয়াল্লাহু আ'নহুৰ অনুৰোধ স্বত্বেও হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে শ্বাম আৰু ইয়ামেনৰ বাবে বৰকতৰ দুআ' কৰাৰ পিছত নজ্দৰ কাৰণে বৰকতৰ





দুআ' কৰা নাই, বৰং তেওঁ (স্বাঃ) ফৰ্মাইছিল — "সেইখন স্থানেই ভূমিকম্প আৰু ফিত্নাৰ স্থান, সেই ঠাইৰ পৰাই শ্বয়তানৰ শিং (শ্বয়তানৰ দল) বাহিৰ হ'ব।" (বুখাৰী শ্বৰীফ, ২য় খণ্ড, মিশ্বকাত শ্বৰীফ, পৃঃ ৫৮২) ওৱাহাবীয়ৎ নামৰ নতুন বাত্বিল ফিৰক্বাহ ফিত্না আকাৰে নজ্দৰ পৰাই আৱিৰ্ভাৱ হৈছে। অন্য এটি হাদীচত পূব দিশৰ পৰা গোমৰাহ দলৰ আৱিৰ্ভাৱ হোৱাৰ বিষয়ে উল্লেখ কৰা হৈছে। উল্লেখ্য যে ওৱাহাবী ফিত্নাৰ উৎসস্থল আছিল মদীনা শ্বৰীফৰ পৰা পূব দিশত অৱস্থিত নজ্দ নামৰ স্থান। (মুছলিম শ্বৰীফ, খণ্ড-২, পৃঃ ৩৯৩, ৩৯৪)

৪। নজ্দী ওৱাহাবী সকলৰ একমাত্ৰ বৈশিষ্ট্য আছিল মূৰৰ চুলি খুৰোৱা। (মিশ্বকাত শ্বৰীফ, পৃঃ ৩০৮)

৫। বৰ্ত্তমান ওৱাহাবীয়তেই আহ্লে ছুন্নত ৱাল জামাআ'তৰ সৰ্বাধিক ক্ষতিকাৰক বিৰোধী ফিৰক্বাহ।

**ওৱাহাবীয়ৎ ফিত্নাৰ জনক মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্দীৰ সংক্ষিপ্ত পৰিচয় ঃ**

প্ৰথম ইছলামী সংস্কাৰবাদী মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্দী হ'ল ওৱাহাবী ফিৰক্বাহৰ প্ৰতিষ্ঠাতা। তেওঁ নজ্দ (সেই সময়ৰ নজ্দ নামৰ ঠাইখন বৰ্তমানৰ চৌদী আৰবৰ ৰাজধানী ৰিয়াধ আৰু আশে-পাশে থকা অঞ্চল) এলেকাৰ উয়াইনা স্থানৰ বনুতামিমা বংশত ১১১১ হিজ্ৰীত জন্ম গ্ৰহণ কৰে আৰু ১২০৬ হিজ্ৰীত মৃত্যু হয়। তেওঁৰ পিতা, ভাই উস্তাদ আৰু বন্ধুবৰ্গ সকলোৱেই ছুন্নী মতাৱলম্বী আছিল। মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্দীয়ে ছুন্নী মযহব অনুযায়ী শিক্ষা লাভ কৰি থকা অৱস্থাতেই খাৱিজী মুতাজ্বিলা আৰু ইব্নে তাইমিয়াহৰ বাত্বিল আক্বীদাহৰ ফালে আকৃষ্ট হয়। উল্লেখ্য যে প্ৰায় ৬০০ হিজ্ৰীৰ পিছত ইব্নে তাইমিয়াহ আৰু তেওঁৰ শিষ্য ইব্নে কাইয়্যমে কিছুমান নতুন নতুন আক্বাঈদ (ধৰ্মীয় বিশ্বাস)ৰ সৃষ্টি কৰিছিল। তেওঁৰ ৰচিত প্ৰায় ৫০০ খন কিতাপ আছিল। প্ৰথম অৱস্থাত তেওঁ আহ্লে ছুন্নত ৱাল জামাআ'ত (হাম্বলী মযহব)ত আছিল। কিন্তু বাত্বিল আক্বীদাহৰ কাৰণে তেওঁ আহ্লে ছুন্নত ৱাল জামাআ'তৰ পৰা খাৰিজ হৈ গৈছিল। হজৰত মোল্লা আ'লী ক্বাৰী (ৰহঃ)এ মিশ্বকাত শ্বৰীফৰ ব্যাখ্যা গ্ৰন্থ 'মিৰক্বাত'ৰ ৪ৰ্থ খণ্ডৰ ৪২৭ পৃঃত হজৰত ইব্নে হজৰ (ৰহঃ)ৰ দ্বাৰা বৰ্ণনা কৰিছে — "ইব্নে তাইমিয়াহ আৰু তেওঁৰ শিষ্য ইব্নে কাইয়্যুম গোমৰাহ (পথভ্ৰষ্ট) আৰু বেয়া আক্বীদাহপূৰ্ণ লোক আছিল। তেওঁলোকৰ গোমৰাহী পূৰ্ণ কথা শুনিলে কাণ বন্ধ হৈ যায়। হজৰত ইব্নে হজৰ (ৰহঃ)এ তেওঁলোক দুয়োজনৰ ওপৰত এইদৰে দুআ' কৰিছে— "হে আল্লাহ, এই দুয়োজনৰ চেহেৰাক বদ চুৰত কৰা আৰু সিহঁতৰ পথ অনুসৰণকাৰী সকলৰ চেহেৰাও বদ চুৰত কৰা।"

প্ৰমাণৰ কাৰণে ওৱাহাবী সকলৰ বদ আক্বীদাহবোৰৰ পৰা মাত্ৰ এটা আক্বীদাহ উল্লেখ কৰা হৈছে। যেনেঃ আল্লাহ পাক সোঁ-শৰীৰে আছে, আমাৰ দৰে শৰীৰেৰে চলাফিৰা কৰে।

pdf By Syed Mostafa Sakib



আকাশৰ পৰাও সোঁ-শৰীৰে নামি আহে। এদিন ইব্‌নে তাইমিয়াহ দামাস্কাৰ মছজিদৰ মিম্বৰৰ পৰা নিজে নামি আহি দেখুৱাই যে আল্লাহ পাকে এনে ধৰণে আকাশৰ পৰা নামি আহে। (নাউ'জুবিল্লাহ) এনে ধৰণৰ ফাচিদ আক্বীদাহৰে তেওঁলোকৰ কিতাপবোৰ পৰিপূৰ্ণ। ইব্‌নে তাইমিয়াহক গোমৰাহ (পথভ্ৰষ্ট) বুলি ফতোৱা দিয়া সকলৰ ভিতৰত কেইজনমান বিশিষ্ট উ'লামা কিৰামৰ নাম উল্লেখ কৰা হ'ল —

(১) হজৰত আ'ল্লামা ছাহাবুদ্দিন হলবী (ৰহঃ), (২) হজৰত আ'ল্লামা ইব্‌নে তুতা (ৰহঃ), (৩) হজৰত আ'ল্লামা জামালুদ্দিন জমকলানী (ৰহঃ), (৪) হজৰত আ'ল্লামা তাকিউদ্দিন দামিস্কি (ৰহঃ), (৫) হজৰত আ'ল্লামা ইমাম আবুল হাচান চবকী (ৰহঃ), (৬) হজৰত আ'ল্লামা হাফিজ ইব্‌নে হজৰ আছকলানী (ৰহঃ)। সেই সময়ৰ সুপ্ৰসিদ্ধ ফিকাহ শাস্ত্ৰ বিশেষজ্ঞ আৰু মহান মুহাদ্দিচ হজৰত আ'ল্লামা শ্বাইখ ছিহাবুদ্দিন ইব্‌নে হজৰ হায়তমী মক্কী (ৰহঃ)ৰ ৰচিত 'ফতৱায়ে হাদিচীয়া'ৰ ১১৪ পৃঃত আছে- " ইব্‌নে তাইমিয়াহ আল্লাহ পাকৰ অভিশপ্ত প্ৰাপ্ত লোক।" অৰ্থাৎ আল্লাহ পাকে তেওঁক অসন্মান, অন্ধ আৰু কলা কৰিছে। এই ইব্‌নে তাইমিয়াহকেই লা-মযহাবী ও ওৱাহাবী সকলৰ দল আৰু উপদল সকলোৱেই ইমাম মানি চলে। মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্‌দীয়েও ইব্‌নে তাইমিয়াহক ইমাম মানে। নজ্‌দী ফিত্‌না সম্পৰ্কত বুখাৰী শ্বৰীফৰ হাদীচত স্পষ্ট উল্লেখ আছে। ইব্‌নে আব্দুল ওৱাহাব নজ্‌দীয়েই এই ফিত্‌নাৰ নায়ক। তেওঁৰ লিখিত কিতাপ 'কিতাবুত্তাওহিদ'। তেওঁৰ উস্তাদ সকল, তেওঁৰ পিতৃ আৰু ভাতৃয়ে তেওঁক আহ্‌লে ছুন্নত ৱাল জামাআ'তলৈ আনিবৰ বাবে অনেক চেষ্টা কৰিছিল যদিও শ্বৰীঅ'ত সম্বন্ধে পূৰ্ণ জ্ঞান লাভ নকৰি তেওঁলোকৰ বিৰুদ্ধাচৰণ কৰি বাত্বিল আক্বীদাহৰ প্ৰচাৰ কৰি থাকে। তেওঁ ছুন্নী মুছলমান সকলৰ জান ও মাল নষ্ট কৰি পৱিত্ৰ স্থানবিলাক ধ্বংস আৰু বেহুৰমতী কৰি পৱিত্ৰ আৰব ভূমি দখল কৰাৰ বাবে যিবিলাক অমানুষিক অত্যাচাৰ আৰু বৰ্বৰোচিত ব্যৱহাৰ কৰিছিল সেয়া ভাষাৰে প্ৰকাশ কৰা সম্ভৱ নহয়। এই সমস্ত ধ্বংসলীলা আৰু অত্যাচাৰত অগণন ছুন্নী মুছলমান হত্যাৰ পিছতো ওৱাহাবী সকলে দীৰ্ঘদিন পৰ্য্যন্ত হেজ্জাজ এলেকা সম্পূৰ্ণৰূপে দখল কৰিবলৈ সক্ষম হোৱা নাছিল। অৱশেষত তুৰ্কী সকলৰ ৰাজত্ব লোপ পোৱাৰ সুযোগত ইছলাম আৰু মুছলমানৰ প্ৰৱল শত্ৰু ইংৰাজ সকলৰ প্ৰৰোচনা ও সাহাৰ্য্যত ওৱাহাবী সকলে ১৯৩১ খৃঃত মদীনা মনোৱৰা আৰু ১৯৩৪ খৃঃত মক্কা মুকাৰৰামাৰ তাঈফ নগৰী দখল কৰি ৰছূল বিদ্বেষী ছউদৰ নামানুসৰি ছৌদী আৰব ৰাষ্ট্ৰ দখল কৰিবলৈ সক্ষম হয়। (ছামীৰ হাচিয়াহ 'ৰদ্দুল মুহতাৰ', ৩য় খণ্ড, ৩০৪ পৃঃ) বৰ্ত্তমান পৰ্য্যন্ত এই ওৱাহাবী সকলেই আৰব দেশৰ শাসন কৰ্ত্তা। ওৱাহাবী সকলে কি ভাবে আৰব দেশ দখল কৰিলে আৰু এই উদ্দেশ্য সাধনৰ বাবে কিমান ছুন্নী মুছলমানৰ প্ৰাণহানি হ'ল, কিমান পৱিত্ৰ স্থানৰ বেহুৰমতি কৰিলে, মদীনা শ্বৰীফত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ৰৌজা মুবাৰকত কি ভাবে বোমাবৰ্ষণ কৰিলে ইত্যাদি বিষয়ে বিস্তাৰিতভাৱে জানিবলৈ





'Advice for the Wahhabi' by H.H Isik. প্ৰাপ্তিস্থান Isik Kitabevi Fatih Istanbul, Turkey আইয়্যুব শ্বাবিৰী পাছাৰ 'মিৰ্‌আতুল হাৰ্‌মাঈন', ছৈয়্যিদ জহনী দাহলান মক্কীৰ 'ফিত্‌নাতুল ওৱাহাবীয়া' চাব পাৰে। এই গ্ৰন্থবিলাকত ওৱাহাবী সকলৰ দ্বাৰা ধ্বংস প্ৰাপ্ত পৱিত্ৰ স্থান বিলাকৰ বিস্তাৰিত বিৱৰণ ফটোৰ সৈতে দিয়া আছে।

এই ওৱাহাবী মতবাদ মূলতঃ দুই ভাগত বিভক্ত। (১) হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক সন্মান নকৰা আৰু (২) ওৱাহাবী সকলৰ বাহিৰে পৃথিৱীৰ সমগ্ৰ মুছলমানক মুশ্বৰিক (Polythest) বুলি গণ্য কৰা। ইব্‌নে আব্দুল ওৱাহাব নজ্‌দীৰ এই সমস্ত ভ্ৰান্ত মতবাদ ও ৰছূল (স্বাঃ) বিদ্বেষী আক্বীদাহৰ ফালে লক্ষ্য কৰিলে সহজেই অনুমান কৰা যায় যে এই ফিত্‌না সম্পৰ্কে চৌদ্দশ বছৰ আগতে হুজুৰ পাক (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মাই গৈছে-"মই অনেক সময়ত শ্বয়তানক শ্বাইখে নজ্‌দীৰ ৰূপত দেখিছো।" (বুখাৰী, কিতাবুল ফিতন অধ্যায়)

**ওৱাহাবী মতবাদৰ আলোচনাৰ পূৰ্বে এই মতবাদ সম্পৰ্কত তৎকালীন ও পৰৱৰ্তী সময়ৰ বুজুৰ্গানে দ্বীন সকলৰ অভিমত বৰ্ণনা কৰা হৈছে ঃ**

১। ইব্‌নে আব্দুল ওৱাহাব নজ্‌দীৰ উস্তাদ মশ্বহুৰ মুহাক্কিক আ'লীম হজৰত শ্বাইখ মুহাম্মদ বিন ছুলাইমান কৰদি শ্বাফী; হজৰত শ্বাইখ মুহাম্মদ হায়াত সিন্ধি আৰু তেওঁৰ পিতৃ প্ৰসিদ্ধ ছুন্নী আ'লীম হজৰত শ্বাইখ আব্দুল ওৱাহাব নজ্‌দী (ৰহঃ) চাহেবে তেওঁৰ এই মতবাদৰ বাবে নানা প্ৰকাৰ নছীহত আৰু ভৎসনা কৰিছে। (ফিত্‌নাতুল ওৱাহাবীয়া, জাহালাতুন ওৱাহাবীন দ্ৰঃ)

২। ইব্‌নে আব্দুল ওৱাহাব নজ্‌দীৰ ভাতৃ প্ৰসিদ্ধ ছুন্নী আ'লীম হজৰত শ্বাইখ ছুলাইমান বিন আব্দুল ওৱাহাব নজ্‌দী (ৰহঃ)এ এই বাত্বিল মতবাদৰ তিব্ৰ বিৰোধীতা কৰাত তেওঁৰ প্ৰাণনাশৰ চেষ্টা চলায় ফলত তেওঁ বাধ্য হৈ মদীনা শ্বৰীফলৈ গুচি যায় আৰু তাৰ পৰা এই ভ্ৰান্ত মতবাদৰ বিৰুদ্ধে 'ছাইয়াকুল ইলাহিহা' নামৰ গ্ৰন্থখনি প্ৰণয়ন কৰি ইব্‌নে আব্দুল ওৱাহাব নজ্‌দীৰ ওচৰলৈ পঠায়।

৩। ইব্‌নে আব্দুল ওৱাহাব নজ্‌দীৰ সম-সাময়িক বিখ্যাত আ'লীম, ৱালীয়ে কামীল হজৰত ছৈয়্যিদ দাউদ বিন্ ছুলাইমান বাগ্‌দাদীৰ 'আল্ মিন্‌হাতুল ওৱাহাবীয়া' ওৱাহাবী সকলৰ ভ্ৰান্ত মতবাদৰ পটভুমিত লিখা এখন বিশিষ্ট গ্ৰন্থ।

৪। ওৱাহাবী সকলে ১২২১ হিজ্‌ৰীত মক্কা শ্বৰীফত 'ওৱাহাবীয়ৎ' প্ৰচাৰ কৰাত হাৰমাঈন শ্বৰীফৰ উ'লামা আৰু মুফ্‌তীয়ান কিৰাম সকলে ওৱাহাবীয়ৎ সম্পৰ্কে যি ফত্‌ৱা জাৰি কৰিছিল সেয়া 'ছাইফুল জব্বাৰ' নামেৰে পাকিস্তান আৰু ইস্তানবুলত প্ৰকাশিত হৈছে।

৫। মক্কা শ্বৰীফৰ মুফ্‌তী ছৈয়্যিদ আহমদ দাহলান (মৃত্যু ১৩০৪ হিজ্‌ৰী) চাহেবে 'দুৰ্‌ৰোচ চুনিয়া', 'ফিত্‌নাতুল ওৱাহাবীয়া' নামৰ গ্ৰন্থ প্ৰণয়ন কৰে।

৬। বিখ্যাত ৱলী, ফকীহ হজৰত আব্দুল গণি নাবুলুছি (ৰহঃ) চাহেবে 'কশ্বফুন্নূৰ' নামৰ গ্ৰন্থ

pdf By Syed Mostafa Sakib



প্ৰণয়ন কৰে ১০৮৪ হিজ্ৰীত। এই গ্ৰন্থত তেওঁ ইব্‌নে আব্দুল ওৱাহাব নজ্‌দীৰ (১১১১ হিজ্ৰী)ৰ জন্মৰ অনেক পূৰ্বেই তেওঁৰ ওৱাহাবী নামৰ গোমৰাহ মতবাদৰ খবৰ দিয়াৰ লগতে ইয়াৰ সম্পূৰ্ণ উত্তৰ দি গৈছে। এয়া আছিল হজৰত নাবুলুছি (ৰহঃ)ৰ কিৰামত।

৭। বিখ্যাত আ'লীম হজৰত ছৈয়্যিদ হাদ্দাদ (ৰহঃ) চাহেবে ইব্‌নে আব্দুল ওৱাহাব নজ্‌দীৰ বিৰুদ্ধে 'মিছ্‌বাহুল আনাম' নামৰ গ্ৰন্থ প্ৰণয়ন কৰে।

৮। ইব্‌নে আব্দুল ওৱাহাব নজ্‌দীৰ সম-সাময়িক আৰু পৰৱৰ্তী চাৰি মযহবৰ উ'লামা কিৰাম, মাশ্বাইখ আৰু মুফ্‌তীয়ান কিৰাম সকলে ইব্‌নে আব্দুল ওৱাহাব নজ্‌দীৰ ভ্ৰান্ত মতবাদৰ বিৰুদ্ধে ভালে কেইখন কিতাপ লিখিছে। এই উ'লামা সকল যে মক্কা মদীনা শ্বৰীফৰ আছিল এনে নহয় বছ্‌ৰা, হলব, বাগ্‌দাদ, ইয়ামেন, মিচৰ, বাংলাদেশ পাকিস্তান আৰু ভাৰতবৰ্ষৰো আছিল। এই সমস্ত উ'লামা আৰু তেওঁলোকৰ কিতাপ সমূহৰ নাম প্ৰকাশ কৰা সম্ভৱ নহয়। হজৰত ইমাম আবু হামিদ মৰজুক দামিস্কী (ৰহঃ) চাহেবে তেওঁৰ গ্ৰন্থ 'জাহালাতুন ওৱাহাবী'ত এই বিষয়ে বিস্তাৰিত বৰ্ণনা আগবঢ়াইছে।

৯। ভাৰতীয় উ'লামা সকলৰ ভিতৰত হজৰত আহমদ ছয়ীদ মোজাদ্দিদী (ৰহঃ) চাহেবে ওৱাহাবীয়ৎৰ বিৰুদ্ধে ভালে কেইখন মহা মূল্যবান গ্ৰন্থ লিখি গৈছে। ইয়াৰ উপৰিও হজৰত খাজা হাচান জান মুজাদ্দিদী (ৰহঃ)ৰ 'আব্‌ৱা ফিতৰ দিদীল ওৱাহাবীয়া' আৰু 'আক্বাঈদুছহীহা ফিতৰদিদীল ওৱাহাবীয়া' ওৱাহাবীয়ৎৰ বিৰুদ্ধে লিখা অমূল্য গ্ৰন্থ।

ভাৰতবৰ্ষত যেতিয়া ওৱাহাবীয়ৎ ফিত্‌নাৰ অশুভ আগমন হয় এই সময়ত দুই/তিনিজন ওৱাহাবী পন্থী ইংৰাজৰ ছত্ৰছায়া উ'লামাৰ বাহিৰে সমগ্ৰ ভাৰতৰ উ'লামা সকল আছিল ওৱাহাবীয়ৎৰ তিব্ৰ বিৰোধী (মাওলানা আবুল কালাম আজাদৰ 'আজাদ কী কাহানী জবানী দ্ৰঃ)। 'The Times of India', 9th Sept. 19b সংখ্যাত 'Medina Bomrared' শিৰোনামাৰে ভাৰতৰ সৰ্বশ্ৰেণীৰ মুছলমানৰ ওৱাহাবী বিৰোধী বিক্ষোভৰ বিস্তাৰিত বিৱৰণ পোৱা যায়। 'Medina Bomrared' শিৰোনামাটো হুবহু উদ্ধৃত কৰা হৈছে- The recent news that Medina was assaulted and the Qabr an-Nabawi was bombarded caused such a great agitation among Indian Muslims as no other event has ever caused before. The Muslims living all over India showed how much they respected that sacred place. This serious grieving in India and Iran will certainly influence Ibn Sa'ud and prevent him from such vile actions so that he may not incur the hatred of all Muslim countries against him. The Indian Muslims have openly expressed this to Ibn Sa'ud."

হজৰত ইব্‌নে আবিদীন শ্বামী (ৰহঃ)ৰ ফত্‌ৱাৰ মশ্বহুৰ কিতাপ 'ফত্‌ৱা শ্বামী'ত,





ফিকাহৰ বিখ্যাত গ্ৰন্থ 'ৰদ্দুল মুহ্‌তাৰ'ৰ তৃতীয় খণ্ডৰ বাবুল বাগাতৰ আৰম্ভণিতে লিখা আছে— "মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্‌দী আৰু তেওঁৰ অনুসৰণকাৰী সকল নজ্‌দৰ পৰা আৱিৰ্ভাৱ হৈছিল আৰু মক্কা আৰু মদীনা শ্বৰীফ আক্ৰমণ কৰিছিল। তেওঁ মানুহক প্ৰতাৰণা কৰিবৰ বাবে নিজকে হাম্বলী মযহবৰ বুলি দাবী কৰিছিল। কিন্তু এওঁলোকৰ আক্বীদাহ আছিল- "মই আৰু মোৰ অনুগামীসকলহে মুছলমান আনবিলাক মুশ্ৰিক বা কাফিৰ।" সেইবাবে তেওঁ আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ বহু মুছলমান লোক আৰু হক্কানী আলীমক হত্যা কৰিছিল। এই হত্যাকাণ্ড ১২৩৩ হিজ্ৰীত ঘটে। হজৰত আ'ল্লামা ছাওয়ী (ৰহঃ)এ 'তফ্‌ছীৰে জালালাইন'ৰ হাচিয়াত ওৱাহাবী পন্থীৰ তিব্ৰ নিন্দা কৰিছে আৰু তেওঁলোকৰ বদ মযহব আৰু ভ্ৰান্ত মতবাদ তেওঁলোকৰ কিতাপৰ পৰা প্ৰমাণ কৰিছে। দেওবন্দী উ'লামা সকলৰ ভিতৰত মৌঃ আনোৱাৰ শ্বাহ কাশ্মিৰীয়ে 'ফয়জুল বাৰী' শ্বৰহে বুখাৰীৰ ভূমিকাত, মৌঃ মুতীউল হকে 'আক্বাঈদে ওৱাহাবীয়া'ত অনুৰূপ মন্তব্য আগবঢ়াইছে আৰু ওৱাহাবী মতবাদৰ তিব্ৰ বিৰোধীতা কৰিছে। মৌঃ হুছেইন আহমদ মাদানী দেওবন্দীয়ে 'আশ্ব শ্বিহাবুশ্ব শ্বাকিব'ৰ ৪২ পৃঃত লিখিছে— "মুহাম্মদ বিন ওৱাহাব নজ্‌দী ১৩০০ হিজ্ৰীত আৰবৰ নজ্‌দ প্ৰদেশত আৱিৰ্ভাৱ হৈছিল। তেওঁৰ অন্তৰত কেৱল বেয়া ভাৱ আৰু বেয়া আক্বীদাহ আছিল। সেইবাবে তেওঁ আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ মুছলমান সকলৰ লগত যুদ্ধ কৰিছিল। এনেকি আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ লোকসকলক নজ্‌দী পক্ষলৈ অনাৰ বাবে বহু কষ্ট দিছিল আৰু এওঁলোকৰ সা-সম্পত্তি লুটপাত কৰি লোৱাটো হালাল বুলি জ্ঞান কৰিছিল। তাৰোপৰি ছুন্নত জামাআ'তৰ লোকসকলক হত্যা কৰাটো স্বাৱাবৰ কাম বুলি গণ্য কৰিছিল।" মৌঃ মাদানী চাহেবৰ কিতাপত তেওঁলোকৰ দলৰ কু-কাৰ্যৰ বিষয়ে আৰু অনেক বৰ্ণনা আছে। ইব্‌নে আব্দুল ওৱাহাব নজ্‌দীৰ দলে ইং ১৯০০ চনৰ আৰম্ভণিতে দ্বিতীয়বাৰ আৰব দেশ দখল কৰি ৰছূলুল্লাহ (স্বাঃ)ৰ পত্নীসকল, বংশধৰসকল আৰু চাহাবা (ৰাঃ)সকলৰ মাজাৰসমূহ ভাঙি চূৰমাৰ কৰিছিল। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম যি ঘৰত জন্মগ্ৰহণ কৰিছিল সেই পবিত্ৰ হজৰাও সেই অভিশপ্ত বদকাৰসকলে শ্বহীদ কৰিছিল, মক্কা আৰু মদীনাৰ নাৰীসকলক গণধৰ্ষন কৰিছিল। কেইটামান মছজিদো সিহঁতে ধ্বংস কৰিছিল। এই তথ্য ভাৰতবৰ্ষৰ খিলাফত সমিতিৰ সেই সময়ত আৰব দেশ ভ্ৰমণকাৰী প্ৰতিনিধিসকলৰ প্ৰতিবেদনত উল্লেখ আছে। দেওবন্দীসকলৰ গুৰু মৌঃ ৰচিদ আহমদ গংগুহীক এজন ব্যক্তিয়ে প্ৰশ্ন কৰিছিল— ওৱাহাবী কাক কয়? উত্তৰত তেওঁ কৈছিল —"যিসকলে মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্‌দীক অনুসৰণ কৰে সেইসকলেই ওৱাহাবী।" (ফতোৱায়ে ৰচিদিয়া)

ওৱাহাবীয়ৎ সম্বন্ধে উপৰোল্লিখিত বুজুৰ্গানি আৰু দেওবন্দী মুৰব্বী সকলৰ মন্তব্যই যথেষ্ট হ'ব। তলত ওৱাহাবী সকলৰ কেইটামান ভ্ৰান্ত মতবাদ (আক্বীদাহ) মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্‌দী ৰচিত 'কিতাবুত্তাওহিদ'ৰ সহায়ত উদ্ধৃত কৰা হৈছে আৰু এই সম্পৰ্কত আহ্‌লে

pdf By Syed Mostafa Sakib



ছুন্নত ৱাল জামাআ'তৰ মতামত সংক্ষেপে বৰ্ণনা কৰা হৈছে —

১। ওৱাহাবী সকলৰ আক্বীদাহ (মূলগত বিশ্বাস) মতে ওৱাহাবীয়ৎ প্ৰকাশৰ পূৰ্বে ৬০০ বছৰ আগত দুনীয়াত কোনো মুছলমান নাছিল। তেওঁলোকৰ মতে মুছলমানে কোনো ফৰজ পালন নকৰিলে বা হাৰাম (নিষিদ্ধ) কাৰ্য্য কৰিলে মুছলমান হৈ নাথাকে।

এই সম্পৰ্কত আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ আক্বীদাহ হ'ল— হুজুৰ নবী কাৰীম স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পবিত্ৰ যুগৰ পৰা এতিয়া পৰ্য্যন্ত দুনীয়াৰ কোনো ঠাইত মু'মিন শূণ্য নাছিল। এই প্ৰসঙ্গত ইতিমধ্যে এটি হাদীচ মুবাৰকো পেশ্ব কৰা হৈছে। অনুৰূপভাৱে আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ আক্বীদাহ অনুসৰি ঈমান থকা স্বত্বেও গাফিলতিৰ কাৰণে মুছলমানে কোনো আহকাম পালন নকৰে তেতিয়া তেওঁ ইয়াৰ বাবে বে-ঈমান বা কাফিৰ নহ'ব। পবিত্ৰ কুৰ্‌আন মযীদ আৰু হাদীচ শ্বৰীফত ইয়াৰ অনেক প্ৰমাণ আছে। খাৰিজী সকলে তেওঁলোকৰ বাহিৰে অন্য কাবোবাক মুছলমান বুলি নাভাৱে। খাৰিজী আৰু মুতাজ্বিলা সম্প্ৰদায়ৰ মতানুযায়ী মানুহে ফৰজৰ আ'মল নকৰিলে বা কোনো হাৰাম কাৰ্য্য কৰিলে বেদ্বীন হৈ যায় ওৱাহাবী সকলে এই ক্ষেত্ৰত খাৰিজী ও মুতাজ্বিলা সকলৰ ভ্ৰান্ত মতবেই অনুসৰণ কৰিছে।

২। ওৱাহাবী সকলৰ বাত্বিল মতানুযায়ী — কোনো মযহবৰ ইমামক অনুসৰণ (তাকলীদ) কৰা বা কোনো মযহব মানি চলাও শ্বিৰ্ক। সেয়ে চাৰি মযহবৰ সমস্ত মুছলমানক তেওঁলোকে কাফিৰ বুলি ধাৰণা কৰে। তেওঁলোকৰ গ্ৰন্থ 'এতেছামুছ্ছুন্নাহ'ৰ ৭ আৰু ৮ পৃঃত লিখিছে-"যি সকলে চাৰি মযহব আৰু চাৰি ত্বৰীক্বা মানি চলে এই সকল লোক মুশ্বৰিক আৰু কাফিৰ।"

আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ মতে — কুৰ্‌আন কাৰীম আৰু হাদীচ শ্বৰীফৰ পৰা মছলা সংগ্ৰহ কৰা (ইস্‌তিখাৰাজ) সকলোৰে কাম নহয়। ইয়াৰ বাবে আহ্‌লে জিক্‌ৰ বা মুজ্‌তাহিদে মযহবৰ দাৰস্থ হ'বই লাগিব। মুজ্‌তাহিদ সকলে কুৰআন-হাদীচ ইজ্‌মা, আহকাম আদিৰ ওপৰত ক্বিয়াছ কৰি যিবিলাক মছলা বাহিৰ কৰে সেইবিলাক বিনা দ্বিধায় মানি ল'ব লাগিব। ই কুৰআন হাদীচ বিৰোধী নহয় বৰং কুৰ্‌আন হাদীচ সন্মত। সেয়ে ছুন্নী উ'লামা, মুহাক্কিকীন, মুফাচ্‌চিৰীণ, মুহাদ্দিচীন কিৰাম সকলে ইমামে মযহবৰ তাকলীদক প্ৰয়োজনীয় বুলি ধাৰণা কৰে। যি সকলে মযহব নামানে তেওঁলোকে নিজ মতে কুৰ্‌আন হাদীচৰ ব্যাখ্যা কৰি পথভ্ৰষ্ট আৰু গোমৰাহীত পতিত হয়। সেয়েহে মযহব বিৰোধী সকল আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ অৰ্ন্তভুক্ত নহয়।

৩। ওৱাহাবী সকলে ইল্‌মে মা'ৰিফত, ত্বৰীক্বত বা তছওউফক ইহুদী, নাছাৰা, বেদ্বীন গ্ৰীক সকলৰ কাৰ্য্য বুলি ধাৰণা কৰে আৰু সমস্ত মাশ্বায়িখীন কিৰাম ও আহ্‌লে ত্বৰীক্বতক বেদ্বীন বুলি গণ্য কৰে।





আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ উ'লামা, ফুক্বাহা, মুহাদ্দিচীন কিৰাম সকলে তছওউফ বা ইল্‌মে মা'ৰিফতক শ্বৰীঅ'তৰ অঙ্গ হিচাপে ধাৰণা কৰে। তেওঁলোকৰ মতে জাহিৰীভাৱে পাক পবিত্ৰ ৰাখিব হ'লে বাতিনক পাক পবিত্ৰ ৰাখিব লাগিব। অন্তৰেই হৈছে ঈমান আৰু শৰীৰৰ মূল কেন্দ্ৰ। এই অন্তৰক পাক পবিত্ৰ কৰি ইয়াত ইখলাছ আৰু ইহছান পয়দা কৰিব হ'লে (তজকীয়াতুন্নফছৰ দ্বাৰা) মুৰ্শ্বিদে কামিলৰ দ্বাৰস্থ হ'বই লাগিব। অনেক ফুক্বাহা কিৰামে ইয়াক প্ৰয়োজনীয় আৰু অনেকে ফৰজ বুলি মত আগবঢ়াইছে। মুৰ্শ্বিদে কামিলে তেওঁৰ চিল্‌চিলাৰ বুজুৰ্গান সকলৰ মাধ্যমেৰে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পৰা আল্লাহ তাআ'লাৰ নূৰে মা'ৰিফত যি ত্বৰীক্বাত প্ৰাপ্ত হয় সেই ত্বৰীক্বাভুক্ত হৈ আল্লাহ তাআ'লাৰ জিক্‌ৰৰ দ্বাৰা নিজৰ অন্তৰ আৰু নফ্‌ছক পাক কৰিব পাৰিলেই ইবাদতৰ মাজত ইখলাছ সৃষ্টি হয় নতুবা নহয়। ছুন্নী উ'লামা, মাশ্বায়িখীন কিৰাম সকলে ইয়াৰ সপক্ষে কুৰ্‌আন হাদীচৰ দ্বাৰা অনেক দলিল পেশ্ব কৰিছে। তেওঁলোকৰ মতে যিয়ে ইয়াক বেদ্বীনী কাৰ্য্য ধাৰণা কৰে তেওঁলোকে প্ৰকৃততে কুৰ্‌আন হাদীচৰ বিৰোধীতা কৰি নিজৰ আখিৰাত বৰবাদ কৰিছে। তেওঁলোকে জনা উচিত ৱলীএ কামিলৰ বিৰোধীতা কৰা মানে আল্লাহ ৰাব্বুল ইজ্‌ঝতৰ লগত যুদ্ধত লিপ্ত হোৱা। (বুখাৰী শ্বৰীফ)

৪। ওৱাহাবী সকলৰ ভ্ৰান্ত মতবাদ অনুসৰি — "হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ৰৌজা মুবাৰক, ৱলী-আউলিয়া সকলৰ মাজাৰ জিয়াৰত কৰা হাৰাম।"

আহ্‌লে ছুন্নত ৱাল জামাআ'ত আক্বীদাহ হ'ল — হুজুৰ বস্‌মতে আ'লম স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ৰৌজা মুবাৰক জিয়াৰত এটি বিশিষ্ট ইবাদত। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ৰৌজা মুবাৰক জীয়াৰতৰ ফজীলত অসংখ্য হাদীচত বৰ্ণিত আছে। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে অনেক চাহাবা কিৰাম (ৰাঃ)ৰ মাজাৰ জিয়াৰত কৰিছে আৰু জিয়াৰতৰ নিৰ্দেশো দিছে। হুজুৰ পাক (স্বাঃ)ৰ ৰৌজা মুবাৰক জিয়াৰত যে এটি অত্যন্ত স্বাৱাবৰ কাম এই সম্পৰ্কত ইজ্‌মা (ঐক্যমত)ও হৈছে। একমাত্ৰ ওৱাহাবী সকল আৰু সমভাৱাপন্ন ইব্‌নে তাইমিয়াহ (যাক কোনোৱে মু'তাজ্বিলা আৰু কোনোৱে বেদ্বীন আৰু ৰছূল (স্বাঃ) বিদ্বেষী বুলি কৈছে)ৰ বাহিৰে আৰু কোনোৱে ইয়াক নাজায়েজ বুলি কোৱা নাই। হুজুৰ তাজ্‌দাৰে মদীনা (স্বাঃ)ৰ ৰৌজা মুবাৰক জিয়াৰতৰ ফজীলত আৰু ওৱাহাবী সকলৰ ভ্ৰান্ত মতবাদৰ পূৰ্ণ উত্তৰ আছে হজৰত ইমাম আবুল হাচান চবকী (ৰহঃ)ৰ 'শ্বিফাউছ্‌ছিকাম ফী জিয়াৰাতিল খায়্‌ৰিল আনাম' নামৰ বিখ্যাত গ্ৰন্থখনত।

৫। ওৱাহাবী সকলৰ বাত্বিল আক্বীদাহ অনুযায়ী — হুজুৰ পাক (স্বাঃ) মৰি মাটিৰ লগত মিহলি হৈ গৈছে। তেওঁ আল্লাহৰ তৰফৰ পৰা যি দায়িত্ব লৈ আহিছিল সেয়া পূৰ্ণ কৰিছে মাত্ৰ, পৰ্দা হোৱাৰ পিছত তেওঁৰ আৰু কোনো সন্মান বাকী থকা নাই।

আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ মতে — ওৱাহাবী সকল মূৰ্খ আৰু জাহিল (অজ্ঞ)।

pdf By Syed Mostafa Sahib



তেওঁলোকে হাদীচ শ্বৰীফ পাঠ কৰা নাই বা শ্বানে ৰিছালতৰ বিদ্বেষীৰ ফলত পথভ্ৰষ্ট হৈ স্বসীস হাদীচ দেখিবলৈ পোৱা নাই। যদি তেওঁলোকৰ অন্তৰত সামান্যতম হ'লেও হুজুৰ নবী কৰীম স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ মুসাব্বত থাকিলহেঁতেন তেনেহ'লে এনেধৰণৰ মন্তব্য নকৰিলেহেঁতেন। আম্বিয়া (আঃ) সকল নিজ নিজ মাজাৰত জীৱিত আছে, তেওঁলোকৰ পবিত্ৰ বদন (শৰীৰ) মুবাৰক মাটিয়ে নষ্ট কৰিব নোৱাৰে, আল্লাহ তাআ'লাই মাটিৰ বাবে খোৱা নিষিদ্ধ কৰি দিছে। (আবু দাউদ শ্বৰীফ, খণ্ড-২, পৃঃ ২২১) তেওঁলোকে পৰ্দা হোৱাৰ পিছতো ইবাদত কৰিব পাৰে। এই সম্বন্ধে প্ৰচুৰ হাদীচ আছে। অনুৰূপভাৱে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ নবুৱত আৰু ৰিছালত ক্বিয়ামত পৰ্য্যন্তবাকী থাকিব। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ জীৱন কালত যেনেধৰণৰ সন্মানৰ অধিকাৰী আছিল তেখেত (স্বাঃ) পৰ্দা হোৱাৰ পিছতো থিক তেনেধৰণৰ সন্মান বৰ্তি আছে। হজৰত আ'ল্লামা জালালুদ্দিন ছিওতী (ৰহঃ)ৰ 'আল্‌বাহুল আজ্‌কিয়া ফী হায়াতিল আম্বিয়া', ইমাম বাইহাক্বী (ৰহঃ)ৰ 'বাইহাক্বী শ্বৰীফ', হজৰত আ'ল্লামা ক্বাজী আয়াজ (ৰহঃ)ৰ 'শ্বীফা শ্বৰীফ' আৰু ইমাম চবকী (ৰহঃ)ৰ 'শ্বীফাউ'ছ ছিকাম' গ্ৰন্থত এই বিষয়ে বিস্তাৰিত বৰ্ণনা আছে।

৬। **ওৱাহাবী সকলৰ ফাছিদ আক্বীদাহ মতে** — "কোনো মুৰ্দাৰ কোনো কিছু কৰাৰ সামৰ্থ নাথাকে। নবী, ৱলী, শ্বহীদ যিয়েই নহওঁক কিয় তেওঁলোকক সামৰ্থবান বুলি ভবা শ্বিৰ্ক।"

আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ আক্বীদাহ অনুযায়ী আম্বিয়া (আঃ) আৰু শ্বহীদান সকলে য'তে ত'তে বিচৰণ কৰিব পাৰে। জীৱিত মানুহক সাহাৰ্য্য কৰিব পাৰে। অনুৰূপভাৱে কিৰামতে আউলিয়া তেওঁলোক পৰ্দা হোৱাৰ পিছতো বাহাল থাকে। এনেকি পৰ্দা হোৱাৰ পিছত তেওঁলোকৰ ৰূহানী শক্তি আৰু অধিক বৃদ্ধিহে পায়। জীৱিত অৱস্থাত যি ধৰণে মানুহক সাহাৰ্য্য কৰিছিল পৰ্দা হোৱাৰ পিছতো তেওঁলোকৰ ৰূহানী শক্তিৰ দ্বাৰা সেই ধৰণে সাহাৰ্য্য কৰিব পাৰে। সাধাৰণ মুৰ্দা মু'মিন সম্বন্ধে হাদীচ শ্বৰীফত বৰ্ণিত আছে — "যিয়ে তেওঁলোকৰ জিয়াৰত কৰে তেওঁলোকক চিনিব পাৰে। জিয়াৰত কৰিলে মুৰ্দাসকল অত্যন্ত খুছী হয়। তেওঁলোকে জিয়াৰতকাৰীৰ ছালামৰ উত্তৰ দান কৰে। জিয়াৰতকাৰী নেক মানুহ হ'লে তেওঁ আল্লাহৰ শ্বুক্‌ৰিয়া (কৃতজ্ঞতা) আদায় কৰে। গুণাহগাৰ (পাপী) হ'লে গুণাহ (পাপ) মাফী আৰু হিদায়তৰ বাবে দুআ' কৰে। এজনে আনজনৰ ওচৰত যাতায়ত কৰে, দুনীয়াত কি সংঘটিত হৈছে সেয়া জানিব পাৰে, দেখিব আৰু শুনিব পাৰে। হুজুৰ পাক (স্বাঃ)এ ছালামৰ উত্তৰ দান কৰে, উম্মত সকলৰ বাবে দুআ' কৰে বুলি অসংখ্য হাদীচত বৰ্ণিত আছে। অনেকে ছালামৰ উত্তৰো শুনিবলৈ পাইছে।" ('কাশ্বফুন্নূৰ', 'তব্‌কাতুল কুবুৰ', 'আহ্‌ওৱালুল কুবুৰ', 'চৰহুছ চুদুৰ', 'শ্বৰেহ মওৱাক্বীফ', 'কিতাবুৰ ৰুহ' দ্ৰঃ)

**এই সম্পৰ্কত আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ ৮ টি আক্বীদাহ ক্ৰমে ঃ**





১। আম্বিয়া (আঃ) সকল নিজ নিজ মাজাৰত জীৱিত, ২। শ্বহীদান সকল আনকি সাধাৰণ মু'মিন মুৰ্দা সকলেও দেখিব শুনিব, ছালামৰ উত্তৰ দিয়াৰ লগতে দুআ' কৰিবলৈ সক্ষম, ৩। মৃতক সকলে জিয়াৰতকাৰীক চিনি পায়, ৪। এক মৃত ব্যক্তি অন্য মৃত ব্যক্তিৰ সাক্ষাত কৰিব পাৰে, ৫। মৃতক সকলে দুনীয়াত কি হৈছে সেয়া জানিব পাৰে, ৬। মুৰ্দা সকলে জীৱিত সকলৰ দুখত দুখী আৰু সুখত সুখী হয়, ৭। মহান আল্লাহ পাকৰ অনুগ্ৰহত মুৰ্দা সকলে অনেক কাৰ্য্য কৰিব পাৰে, ৮। আল্লাহ তাআ'লাৰ প্ৰিয় জীৱিত বান্দা সকলে মুৰ্দা সকলৰ অৱস্থা জানিব ও দেখিব পাৰে। এই সকলোবোৰ আল্লাহৰ হুকুমত হয়।

হজৰত দাউদ বিন্ ছুলাইমান বাগদাদী (ৰহঃ)এ তেওঁৰ 'মিন্‌হাতুল ওৱাহাবীয়া' নামৰ গ্ৰন্থত ইয়াৰ বিবদভাৱে আলোচনা কৰিছে আৰু শ্বৰয়ী দলিলৰ দ্বাৰা এই বিলাকৰ সত্যতা নিখুতভাৱে প্ৰমাণ কৰিছে।

৭। নবী (আঃ) বা ৱলী আল্লাহৰ ৱাস্বীলা লোৱা দুআ' কৰা (তওছ্ছুল) বা তেওঁলোকৰ ওচৰত সাহাৰ্য্য চোৱা (আল্লাহ পাকৰ অনুগ্ৰহত তেওঁলোকে সাহাৰ্য্য কৰিব পাৰে এই বিশ্বাস ৰখা যাক ইস্তিগাছা বোলা হয়) বা ইয়া ৰছুলাল্লাহ স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম বুলি সম্বোধন কৰা ওৱাহাবী সকলৰ মতে শ্বিৰ্ক।

**এই সম্পৰ্কত আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ আক্বীদাহ হ'ল ঃ**

হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম পৰ্দা হোৱাৰ পিছত চাহাবা কিৰাম (ৰাঃ) সকলে হুজুৰ পাক (স্বাঃ)ৰ ৱাস্বীলা লৈছে, তেখেত (স্বাঃ)ৰ ওচৰত সাহাৰ্য্য বিচাৰিছে। এই সম্বন্ধে অনেক স্বসীস ৰেৱায়াত মৌজুদ আছে। কলেবৰৰ প্ৰতি লক্ষ্য ৰাখি প্ৰকাশ কৰিব পৰা নগ'ল। ছুন্নী মতবাদ অনুযায়ী হুজুৰ পাক (স্বাঃ) আৰু আউলিয়া কিৰাম (ৰাঃ) সকলৰ ৱাস্বীলা লোৱা, তেওঁলোকৰ ওচৰত সাহাৰ্য্য চোৱা জায়েজ আৰু শ্বৰীঅ'ত সন্মত। ইমামাৰ যুদ্ধত, শ্বাম দেশত ৰুমী খৃষ্টান সকলৰ লগত চাহাবা কিৰাম (ৰাঃ) সকলে হুজুৰ পাক (স্বাঃ)ক 'ইয়া ৰছুলাল্লাহ' (স্বাঃ), 'ইয়া মুসাম্মদ' (স্বাঃ) বুলি সম্বোধন কৰিছে আৰু সাহাৰ্য্য প্ৰাৰ্থনা কৰিছে। হজৰত ইমাম হুছেইন (ৰাঃ) আৰু হজৰত জয়নাল আবেদীন (ৰাঃ)এ কাৰবালাৰ পৰা হুজুৰ পাক (স্বাঃ)ক সম্বোধন কৰি নিজৰ দুৰাৱস্থা বৰ্ণনা কৰিছে। ইয়াৰ বাহিৰেও অনেক চাহাবা কিৰাম (ৰাঃ)এ বিপদ আপদৰ মুহূৰ্ত্তত 'ইয়া মুসাম্মদ' (স্বাঃ) বুলি বিপদৰ পৰা মুক্তি লাভ কৰিছে। 'আব্দুল মুফ্‌ৰিদ', 'কিতাবুল আজ্‌কাৰ', 'জুৰক্বানী শ্বৰেহ মাওৱাহিবে লাদুন্নিয়া', 'আল্ বদায়া ওৱান্নাহায়া' হজৰত আ'ল্লামা ওৱাকীদী (ৰহঃ)ৰ 'ফীত্‌হুছ শ্বাম', 'শ্বিফা শ্বৰীফ', 'ইয়াৰ শ্বৰাহ নছী মুৰিয়াজ' আৰু 'শ্বৰহে মোল্লা আ'লী ক্বাৰী', দেওবন্দী সকলৰ পীৰানে পীৰ শ্বাহ ৱালিউল্লাহ মুদাদ্দিচ দেহলৱী (ৰহঃ)ৰ 'ইন্‌তিবাহ' গ্ৰন্থত এই বিষয়ে বৰ্ণনা আছে। ইয়াৰ উপৰিও জিয়াৰতৰ সময়ত মুৰ্দাক 'আচ্ছালামু আ'লাইকুম ইয়া.........' বুলি সম্বোধন কৰাৰ নিৰ্দেশ হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে দান কৰিছে। সেয়ে ইয়া ৰাছুলাল্লাহ স্বাল্লাল্লাহু

pdf By Syed Mostafa Sakib



আ'লাইহি ৱা ছাল্লাম বোলা বা কোনো মুৰ্দাক সম্বোধন কৰা হাদীচ শ্বৰীফৰ পৰা প্ৰমাণিত ইয়াত শ্বিৰ্ক হোৱাৰ কোনো সন্দেহৰ অৱকাশ নাই।

অনেক বুজুৰ্গানে দ্বীন, আইম্মায়ে মুজ্‌তাহিদীন আৰু মুহাক্কিকীন কিৰাম সকলে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম বা ৱলী-আউলিয়াক সম্বোধন কৰিছে, সাহায্য বিচাৰিছে। সেইবোৰ ইয়াত বিস্তাৰিতভাৱে বৰ্ণনা কৰা সম্ভৱ নহয়। দেওবন্দী সকলৰ মূৰব্বী তথা হোতা সকলৰ ভিতৰত মৌঃ কাছিম নানথৱী (দেওবন্দ মাদ্ৰাছাৰ প্ৰতিষ্ঠাতা), মৌঃ আশ্ৰফ আলী থানৱী, মৌঃ হুছেইন আহমদ মাদানী আৰু তেওঁলোকৰ পীৰ মুৰ্শ্বিদ আলহাজ ইমদাদুল্লাহ মুহাজীৰে মক্কী (ৰহঃ)এ হুজুৰ পাক (স্বাঃ)ৰ ওপৰত কাছিদা (নবী প্ৰশস্তি কবিতা) লিখিছে আৰু 'ইয়া ৰাছুলাল্লাহ' (স্বাঃ) সম্বোধন কৰি সাহায্য প্ৰাৰ্থনা বিচাৰিছে। মৌঃ কাছিম নানথৱীয়ে 'কাছিদায়ে কাছিমী'ত লিখিছে — "ইয়া ৰাছুলাল্লাহ (স্বাঃ)। আপোনাৰ আচল সত্তা মানৱীয় পৰ্দাৰে ঢকা।" আমাৰ ইমাম হজৰত আবু হানিফা (ৰহঃ), হজৰত শ্বাহ আব্দুল হক মুহাদ্দিচ দেহ্‌লৱী (ৰহঃ), হজৰত শ্বাহ আব্দুল আজিজ মুহাদ্দিচ দেহ্‌লৱী (ৰহঃ), হজৰত শ্বাহ ৱালিউল্লাহ মুহাদ্দিচ দেহ্‌লৱী (ৰহঃ), আ'লা হজৰত শ্বাহ ইমাম আহমদ ৰেজাঁখা ক্বাদ্‌ৰী (ৰহঃ), আ'ল্লামা ছালামাতুল্লাহ ৰামপুৰী, মুফতী ইৰ্শ্বদ হুছেইন ৰামপুৰী, মুফ্‌তীয়ে আ'জম মুস্তাফা ৰেজাখাঁ ক্বাদ্‌ৰী (ৰহঃ) আদিয়ে হুজুৰ পাক (স্বাঃ)ৰ শ্বানত 'ইয়া ৰাছুলাল্লাহ' (স্বাঃ) সম্বোধন কৰি অনেক কবিতা লিখিছে। এওঁলোক সকলোৱেই মুশ্ব্‌ৰিক নেকি?

তওছ্ছুল ইস্তিগাছাৰ সমৰ্থনত মুহাক্কিক সকলে ভালে কেইখন কিতাপ লিখিছে। তাৰ ভিতৰত হজৰত ইমাম চবকীৰ 'শ্বিফাউছ্ছিকাম', হজৰত শ্বাইখ আবি হামিদ বিন নৰজুক দামিস্কীৰ 'আওছ্ছুল বিন্নবী' আৰু 'জাহালাতুন ওৱাহাবীন' আৰু শ্বাইখ আ'ল্লামা মুফ্‌তী আব্দুল কাইয়্যুম চাহেবৰ 'আওছ্ছুল' আৰু আ'ল্লামা ইউছুফ দাজু মিছৰীৰ 'মুদল্লল' বিশেষভাৱে উল্লেখযোগ্য।

৮। **ওৱাহাবী সকলে** হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ওপৰত ছালাম পাঠ কৰাক নিষেধ কৰে। হুজুৰ নবী কৰীম স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ পবিত্ৰ নামৰ সৈতে ছাইয়্যিদিনা ৱা মাওলানা পঢ়াক নিষেধ কৰে 'ক্বাছীদায়ে বুৰ্‌দা শ্বৰীফ', 'দালাইলুল খাইৰাত শ্বৰীফ'ৰ লিখক আৰু পাঠক সকলক বেদ্বীন বুলি ধাৰণা কৰে। ওৱাহাবী সকলে মীলাদ শ্বৰীফ পাঠকাৰী সকলক কাফিৰ আৰু মুশ্ব্‌ৰিক ধাৰণা কৰে। ইতিমধ্যে এই ভ্ৰান্ত মতৰ অনুসৰণ কৰি দেওবন্দী তব্‌লীগী সকলে 'মীলাদুন্নবী' (স্বাঃ) (হুজুৰ পাক (স্বাঃ)ৰ জন্ম বৃত্তান্ত আলোচনা কৰা অনুষ্ঠান) কৰাটো বিদ্‌আ'ত, ইছলামবিৰোধী তথা কুফ্‌ৰী কাম বুলি প্ৰচাৰ কৰি আছে। এয়া সমগ্ৰ ইছলাম সমাজৰ বাবে দুৰ্ভাগ্যজনক আৰু ক্ষতিকাৰক।

ওৱাহাবী সকলে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ প্ৰতি কোনো প্ৰকাৰ





সন্মান প্ৰদৰ্শনক সহ্য কৰিব নোৱাৰে। ওৱাহাবী সকলৰ এটি প্ৰধান আক্বীদাহ হ'ল-"যেনেকৈ আমি আমাৰ লাঠীৰ দ্বাৰা কুকুৰক খেদিব পাৰো কিন্তু আল্লাহৰ নবী (স্বাঃ)ৰ জাতৰ পৰা সেইখিনি উপকাৰো নাপাওঁ।", "হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ৰৌজা মুবাৰক এটি ডাঙৰ মূৰ্ত্তিঘৰ।" ('কিতাবুত্তাওহীদ' দ্ৰঃ) তেওঁলোকৰ অন্তৰ হুজুৰ পাক (স্বাঃ)ৰ মুসাব্বত শূণ্য। কুৰ্‌আন শ্বৰীফৰ অনেক আয়াতত হুজুৰ পাক (স্বাঃ)ক সন্মান কৰাৰ নিৰ্দেশ দিয়া আছে। সেইদৰে হুজুৰ পাক (স্বাঃ)ৰ ওপৰত দৰুদ-ছালাম পাঠৰ হুকুমো কুৰ্‌আন কাৰীমত আছে। ওৱাহাবী সকলে ৰছুল (স্বাঃ) বিদ্বেষী মনোভাৱৰ ফলত অন্ধ হৈ সত্যক দেখিব নোৱাৰে। নহ'লে হুজুৰ পাক (স্বাঃ) আৰু দৰুদ ছালামৰ ফজীলতৰ অসংখ্য হাদীচ দেখিবলৈ পালেহেঁতেন। তেওঁলোকে জনা উচিত. হুজুৰ পাক (স্বাঃ)ৰ তাজীম বা দৰুদ-ছালাম হুজুৰ পাক (স্বাঃ)ৰ ইবাদত নহয় এয়া মহান আল্লাহ ৰাব্বুল আ'লামিনৰেই হুকুম পালন আৰু তেওঁৰেই ইবাদত। হজৰত আ'ল্লামা ক্বাজী আয়াজ (ৰহঃ)এ তেওঁৰ 'শ্বিফা' নামৰ গ্ৰন্থৰ ১ম খণ্ডৰ ১৫ পৃঃত হুজুৰ পাক (স্বাঃ)ৰ জিক্‌ৰক আল্লাহৰ জিক্‌ৰ বুলি প্ৰমাণ কৰিছে।

কুৰ্‌আন শ্বৰীফত আল্লাহ পাকে হজৰত ইয়াহ্‌য়া (আঃ)ক ছৈয়্যদ আৰু তেখেত (আঃ)ৰ নেক বান্দা সকলক মওলা বুলি কৈছে। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে নিজকে ছৈয়্যদ বোলাৰ অনেক স্বহীহ হাদীচ আছে। সেয়ে হুজুৰ পাক (স্বাঃ)ৰ পবিত্ৰ নামৰ সৈতে ছাইয়্যিদিনা ৱা মাওলানা সংযুক্ত কৰা কুৰ্‌আন হাদীচ সন্মত।

ক্বাছীদায়ে বুৰ্‌দা শ্বৰীফৰ লিখক আশ্বিকে ৰছুল (স্বাঃ) হজৰত ইমাম মুহাম্মদ বিন্ আল্ বুছুৰী (ৰহঃ) (ওফাত ৬৯৫ হিজ্‌ৰী) অৰ্দ্ধাঙ্গ অৱশ হৈ যোৱাত তেওঁ নিৰুপায় হৈ হুজুৰ পাক (স্বাঃ)ৰ শ্বানত এটি ক্বাছীদা (নবী প্ৰশস্তি কবিতা) লিখে আৰু ইয়াৰ মাধ্যমত নিজৰ দুৰৱস্থা বৰ্ণনা কৰি হুজুৰ পাক (স্বাঃ)ৰ ওচৰত সাহায্য প্ৰাৰ্থনা কৰে। ফলত তেওঁ ৰাতি হুজুৰ পাক (স্বাঃ)ৰ জিয়াৰত লাভ কৰে। হুজুৰ পাক (স্বাঃ)এ তেওঁক জুব্বা মুবাৰক দান কৰে, ইয়াৰ স্পৰ্শত তেওঁ সম্পূৰ্ণ আৰোগ্য লাভ কৰে। তেখেতে সাৰ পোৱাৰ পিছত এই জুব্বা মুবাৰক নিজৰ শৰীৰত পাইছিল। 'ক্বাছীদায়ে বুৰ্‌দা শ্বৰীফ' অত্যন্ত বৰকত সম্পন্ন আৰু আজিও সকলোতে সমাদৃত হৈ আহিছে। এই ক্বাছীদাত হুজুৰ পাক (স্বাঃ)ৰ তাজীম আছে, হুজুৰ পাক (স্বাঃ)ৰ সাহায্য বিচৰা হৈছে। ওৱাহাবী সকলে এয়া কি ভাৱে সহ্য কৰিব পাৰিব। উল্লেখ্য যে হজৰত হাচান বিন চাবিত (ৰাঃ)এ হুজুৰ পাক (স্বাঃ)ৰ উপস্থিতিত যেতিয়া তেওঁ (স্বাঃ)ৰ মহিমান্বিত গুণাৱলী বৰ্ণনা কৰিছিল তেতিয়া তাক শুনিবলৈ চাহাবা সকলৰ ভিৰ হৈছিল। যেতিয়া ওৱাহাবী সকলে হুজুৰ পাক (স্বাঃ)ৰ সাহায্য প্ৰাৰ্থী, সম্বোধনকাৰী সকলক কাফিৰ ঘোষণাৰ দ্বাৰা সহস্ৰ চাহাবা কিৰাম (ৰাঃ)ক কাফিৰ বোলাৰ সাহস কৰিব পাৰে (নাউজুবিল্লাহ) অন্য মানুহক বুলিব নোৱাৰিব কিয়?

**চাহাবা কিৰাম (ৰাঃ) সম্পৰ্কত ওৱাহাবী সকলৰ কেইটামান ভ্ৰান্ত ধাৰণা —**

pdf By Syed Mostafa Sakib



১। "চাহাবা কিৰাম (ৰাঃ)ৰ কথা দলিল নহয়।" (পাবচায়ে আহ্‌লে হাদীচ, ২২ আগষ্ট, ১৯৭০ ইং), ২। "কিছুমান চাহাবা (ৰাঃ) ফাচিক আছিল।" (নজুলুল আব্‌ৰাব, ৩য় খণ্ড, ৯৪ পৃঃ), ৩। "এই উম্মতৰ মুতাখিৰীণ উ'লামা সাধাৰণ চাহাবাতকৈ উত্তম।" (হাদিয়াতুল মাহদি, পৃঃ ৯০) ৪। "চাহাবা কিৰাম (ৰাঃ)ৰ তফ্‌ছীৰে কুৰ্‌আন দলিলৰ উপযোগী নহয়।" (বুদুৰুল আহিল্লাহ, পৃঃ ১৩৯) (মৌঃ আজহাৰ মাদানীৰ 'গাইৰ মুকাল্লিদিয়াত')

মৌঃ কাছিম নানথৱীয়ে 'তাহ্‌জিৰুণ নাছ'ৰ ৮ পৃঃ (প্ৰকাশক-মকতবা থানৱী, দেওবন্দ)ত লিখিছে-"আ'মল সমূহৰ ক্ষেত্ৰত বাহ্যিকভাৱে উম্মত নবীৰ সমান হৈ যায় আনকি বহু ক্ষেত্ৰত অতিক্ৰমো কৰে।" এয়াই হুজুৰ পাক (স্বাঃ)ৰ প্ৰতি এওঁলোকৰ আক্বীদাহ।

হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে ইৰ্শ্বাদ ফৰ্মাইছে— "তোমালোকে মোৰ চাহাবা সম্পৰ্কে আল্লাহ তাআ'লাক ভয় কৰিবা, তেওঁলোকৰ প্ৰতি আক্ৰমণাত্মক কথা নক'বা। যিজনে তেওঁলোকক ভাল পায় তেওঁ একমাত্ৰ মোক ভালপোৱাৰ বাবেই তেওঁলোকক ভাল পায় আৰু যিয়ে তেওঁলোকৰ সৈতে শত্ৰুতা ৰাখে সি মোৰ বাবেই তেওঁলোকৰ সৈতে শত্ৰুতা ৰাখে। যিয়ে তেওঁলোকক কষ্ট দিলে সি যেনিবা মোকেই কষ্ট দিলে আৰু যিজনে মোক কষ্ট দিলে সি যেনিবা আল্লাহক কষ্ট দিলে আৰু যিয়ে আল্লাহক কষ্ট দিলে সি অচিৰেই গ্ৰেপ্তাৰ হ'ব।" আৰু ইৰ্শ্বাদ ফৰ্মাইছে— "যিজনে মোৰ চাহাবা বৃন্দক গালি পাৰিব তাৰ ওপৰত আল্লাহৰ লা'নত, ফৰিস্তা সকলৰ লা'নত আৰু সমগ্ৰ মানৱ জাতিৰ লা'নত। তাৰ ফৰজ, নফল কোনো ইবাদতেই কবুল নহয়।" হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে ফৰ্মাইছে-"মোৰ চাহাবা সকলক গালি শপনি নাপাৰিবা। যদি তোমালোকৰ কোনোবাই উহুদ পাহাৰ পৰিমাণ সোণ দান কৰে, তাৰ স্বাৱাব চাহাবা সকলৰ এক মুদ বা অৰ্দ্ধমুদ (মুদ প্ৰায় এক কিলো পৰিমাণৰ ওজন) দানৰ স্বাৱাবৰ সমতুল্য হ'ব নোৱাৰে।" (বুখাৰী শ্বৰীফ)

হাদীচ শ্বৰীফৰ পৰা সংগৃহীত দৰূদ শ্বৰীফ বিলাকক একত্ৰিত কৰি বিখ্যাত ফক্বীহ, ৱলী হজৰত ছৈয়্যিদ মুহাম্মদ ছুলাইমান জজুলি (ৰহঃ) (ওফাত ৮৭০ হিজ্‌ৰী)এ ইয়াৰ নাম 'দালাইলুল খায়্‌ৰাত শ্বৰীফ' ৰাখিছিল। ছুন্নী উ'লামা আৰু মাশ্বায়িখীন সকলৰ ওচৰত ই অত্যন্ত পবিত্ৰ আৰু ফজীলত সম্পন্ন গ্ৰন্থ হিচাপে গণ্য হৈ আহিছে। যিহেতু ইয়াক পাঠ কৰিলে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ সন্মান প্ৰদৰ্শন কৰা হয়। ইয়াত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ নামৰ সৈতে ছাইয়্যিদিনা বা মাওলানা যুক্ত আছে। কোনো কোনো ঠাইত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ সাহায্য বিচৰা হৈছে। প্ৰিয় নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম বিদ্বেষী ওৱাহাবী সকলে কি ভাবে সহ্য কৰিব। সেয়ে ইয়াৰ লিখক আৰু পাঠক সকলক বেদ্বীন বুলি ফত্‌ৱা দিয়ে।

মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্‌দী আৰু তেওঁৰ সমৰ্থক সকলে প্ৰিয়নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ৰৌজা মুবাৰক ১৭ বাৰ আক্ৰমণ কৰিছে। বোমাবৰ্ষণ পৰ্য্যন্ত কৰিছে।





তেওঁলোকৰ মতে হুজুৰ পাক (স্বাঃ), চাহাবা কিৰাম (ৰাঃ) আৰু ৱলী আউলিয়াৰ মাজাৰৰ ওপৰত ঘৰ নিৰ্মাণ বা কুব্বা প্ৰস্তুত কৰা শ্বিৰ্ক ইয়াক ধ্বংস কৰা ফৰজ। আশ্চৰ্য্যৰ বিষয় হুজুৰ পাক (স্বাঃ)ৰ নিৰ্দেশতেই চাহাবা কিৰাম (ৰাঃ) সকলৰ সৰ্বসন্মতি ক্ৰমে হুজুৰ পাক (স্বাঃ) হজৰত আইশ্বা স্বিদ্দীকা (ৰাঃ)ৰ গৃহৰ ভিতৰত গমণ কৰে। এই হুজৰা শ্বৰীফৰ ভিতৰতে হজৰত আবুবক্কৰ স্বিদ্দীক (ৰাঃ) আৰু হজৰত উমৰ ফাৰুক্ব (ৰাঃ)ৰ শৰীৰ মুবাৰক দুটি ৰখা হৈছিল। খলিফা ৱালিদ (ৰাঃ)ৰ সময়ত হুজুৰ পাক (স্বাঃ), হজৰত আবুবক্কৰ স্বিদ্দীক (ৰাঃ) আৰু হজৰত উমৰ ফাৰুক্ব (ৰাঃ)ৰ মাজাৰ প্ৰচুৰ তাবেয়ীনৰ সন্মুখত পুনৰ নিৰ্মিত কৰা হয়। কোনোৱে ইয়াক নাজায়েজ, শ্বিৰ্ক বুলি কোৱা নাই। সেয়ে ইজ্‌মায়ে (ঐক্যমত) চাহাবী আৰু তাবেয়ীৰ দ্বাৰা বুজুৰ্গানে দ্বীনৰ মাজাৰৰ ওপৰত গৃহ বা কুব্বা নিৰ্মাণ কৰা জায়েজ প্ৰমাণিত হৈছে। এই বাবেই পৰৱৰ্ত্তী সময়ৰ অনেক মুহাক্কিকীন কিৰাম আৰু আইম্মায়ে কিৰামে হুজুৰ পাক (স্বাঃ), চাহাবা কিৰাম (ৰাঃ) আৰু ৱলী আউলিয়া (ৰহঃ) সকলৰ মাজাৰৰ ওপৰত এই বিলাক নিৰ্মাণ কৰা জায়েজ বুলি নিজ নিজ গ্ৰন্থত বৰ্ণনা কৰিছে। এই কাম শ্বিৰ্ক হ'লে চাহাবা কিৰাম (ৰাঃ) আৰু তাবেয়ীন, তাবে-তাবেয়ীন সকল মুশ্বৰিক (Polythest) হ'ব নাউ'জুবিল্লাহ। এয়া কেতিয়াও হ'ব নোৱাৰে। যি হাদীচত কবৰ পকা কৰা, কবৰৰ ওপৰত গম্বুজ নিৰ্মাণ কৰা ইত্যাদিৰ বিৰোধীতা কৰা হৈছে ইয়াৰ উত্তৰ মুহাদ্দিচীন কিৰাম সকলে দি গৈছে। সেইবোৰ ইয়াত বৰ্ণনা কৰা সম্ভৱ নহয়।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ জিক্‌ৰ প্ৰকৃতপক্ষে আল্লাহ ৰাব্বুল ইজ্বতবেই জিক্‌ৰ। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ প্ৰতি দৰূদ ছালাম পাঠ কৰা আল্লাহৰ ইবাদত। হুজুৰ পাক (স্বাঃ) মানৱ জাতিৰ বাবে আল্লাহ প্ৰদত্ত সমস্ত নিয়ামতৰ ভিতৰত শ্ৰেষ্ঠ নিয়ামত। তেওঁ (স্বাঃ) 'নিয়ামাতুল কুব্‌ৰা'। আল্লাহ পাকে তেওঁৰ নিয়ামতৰ আলোচনা ও চৰ্চ্চা (স্মৰণ) কৰাৰ নিৰ্দেশ দিছে। সেয়েহে হুজুৰ পাক (স্বাঃ)ৰ সন্মানাৰ্থে তেখেত (স্বাঃ)ৰ পবিত্ৰ জীৱন চৰিত আলোচনাৰ্থে দৰূদ ছালাম পাঠৰ বাবে মজ্‌লিছ মাহ্‌ফিল আয়োজন কৰা মানে আল্লাহ পাকৰেই হুকুম পালন কৰা। হুজুৰ পাক (স্বাঃ)এ ইৰ্শ্বাদ ফৰ্মাইছে-"আল্লাহ পাক মু'মিনৰ কোনো মজ্‌লিছৰ ওপৰত ৰাজী (সন্তুষ্ট) নহয়, যদি তাত নবীৰ ওপৰত দৰূদ পাঠ কৰা নহয়।", "মু'মিনৰ দুআ' দৰূদ সম্বলিত নহলে আল্লাহৰ ওচৰত কবুল নহয়।" এই দুটি হাদীচ শ্বৰীফৰ পৰা স্পষ্ট হৈ পৰিল যে মু'মিনৰ মজ্‌লিছ হওঁক বা জিক্‌ৰ-আজ্‌কাৰৰ মজ্‌লিছেই হওঁক ইয়াত দৰূদ ছালামৰ দ্বাৰা হুজুৰ পাক (স্বাঃ)ক স্মৰণ কৰা একান্ত প্ৰয়োজনীয়। হুজুৰ পাক (স্বাঃ)ৰ স্মৰণৰ শ্ৰেষ্ঠ পন্থা হিচাপে প্ৰচলিত মীলাদ শ্বৰীফ অনুষ্ঠিত কৰা কি ভাবে শ্বিৰ্ক কুফ্‌ৰী হ'ব পাৰে? মনত ৰখা উচিত হুজুৰ পাক (স্বাঃ)ৰ সৈতে সকলোতকৈ অধিক মুসাব্বত ৰখা একান্ত প্ৰয়োজনীয় (ফৰজ)। এতিয়া চিন্তা কৰক যাৰ অন্তৰত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ সামান্য মুসাব্বত আছে সি হুজুৰ পাক

pdf By Syed Mostafa Sakib



(স্বাঃ)ৰ স্মৰণাৰ্থে মীলাদ-ই- মাহ্ফিল কৰাক শ্বিৰ্ক বুলিব পাৰিব?

মীলাদ শ্বৰীফ প্ৰচলিত হোৱাৰ পিছত শ্বাইখ তাজউদ্দিন ফাকিহানী নামৰ মালিকী মযহবৰ আ'লীমৰ বাহিৰে আৰু কোনেও ইয়াৰ বিৰোধীতা কৰা নাই। মীলাদুন্নবী (স্বাঃ) বিৰোধী সকলে এই কিতাপ খনৰ হাৱালা দিয়ে। ফাকিহানীয়ে 'ৰদ্দু-আ'মালিল-মৌলুদ' নামৰ কিতাপ লিখিছে, ইয়াৰ প্ৰত্যুত্তৰত আ'ল্লামা জালালউদ্দিন সিওতী (ৰঃ)এ 'হুচনুল মাক্বাচিদ ফী আ'মালিল মৌলুদ'ত অক্ষৰে অক্ষৰে উত্তৰ দি মীলাদ শ্বৰীফক জায়েজ ও মুস্তাহাব প্ৰমাণ কৰিছে। ইয়াত তেওঁ বিখ্যাত মুহাদ্দিচ ইমাম হাফিজ ইব্‌নে হজৰ আছ্কলানীৰ ফত্ৱা আৰু ইমামুল কোৰ্ৰা হাফিজুল হাদিচ হজৰত ছামছুদ্দিন ইব্‌নে জজ্ৰীৰ লিখিত 'আৰফুৱাৰিফ বিল মৌলুদ শ্বৰীফ' কিতাপৰ উল্লেখ কৰিছে। মীলাদ শ্বৰীফৰ ফজীলত আৰু বৰকত সম্বন্ধে বিখ্যাত মুহাক্কিক আ'লীম হজৰত ইব্‌নে হজৰ হিতামী মক্কী (ৰঃ)ৰ 'নিয়ামাতিল কোব্ৰা' নামৰ কিতাপত বিষদভাৱে আলোচনা কৰিছে। হজৰত ইব্‌নে আবিদীন শামীৰ ভতীজা হজৰত আহমদ আবিদীন, ইমাম ইব্‌নে হজৰ মক্কীৰ 'নছৰুদ্দুৰ আ'লা মৌলিদ' গ্ৰন্থত ইব্‌নে হজৰ (ৰঃ)এ লিখিছে। এই কিতাপত তেওঁ মীলাদ শ্বৰীফক জায়েজ আৰু মুস্তাহাব প্ৰমাণ কৰিছে। আ'ল্লামা নববীৰ উস্তাদ ইমাম আবু শ্বামাৰ 'আল বায়ীছ', আ'ল্লামা নুৰুদ্দিন হলবীৰ 'ৰছ্চিৰ' কিতাপৰ দ্বাৰা মৌলুদ আৰু ক্বিয়াম মুস্তাহাব হোৱাৰ উপযুক্ত দলিল পেশ্ব কৰিছে। আ'ল্লামা ইউচুফ নাব্হানীৰ 'জওৱাহীৰুল বীহাৰ' কিতাপতো এনেধৰণৰ উল্লেখ আছে। শ্বাহ মুহাদ্দিচ আব্দুল আজীজ দেহ্লৱী (ৰঃ)ৰ শিষ্য বিখ্যাত ৱলী, মুহাক্কিক আ'লীম হজৰত আহমদ চয়ীদ মোজাদ্দিদী মোহাজিৰে মদনী (ৰঃ)এ তেওঁৰ কিতাপ 'ইস্‌বাতুল মওলিদ ওৱাল ক্বিয়াম' নামৰ আৰবী কিতাপত প্ৰচুৰ দলিলৰ দ্বাৰা মীলাদ ক্বিয়াম মুস্তাহাব তাক সুস্পষ্টভাৱে প্ৰমাণ কৰিছে। এই কিতাপত তেওঁ তৎকালীন চাৰি মযহবৰ উ'লামায়ে ক্বিৰাম মাওলানা আব্দুল্লাহ মুফ্তী হানিফীয়া, মাওলানা আহমদ জৰন হালান মুফ্তী শ্বাফিয়ী, মাওলানা হুছেইন বিন ইব্ৰাহিম মুফ্তী মালিকী, মাওলানা মুহাম্মদ বিন ইয়াস্য়া মুফ্তী হাম্বলী আৰু বিশেষভাৱে হাৰমাইন শ্বৰীফাইনৰ মুফ্তীসকলৰ নাম উল্লেখ কৰিছে। মুহাক্কিক মুহাম্মদ নবী বিন উমৰ বিন আৰবীৰ 'মৌলুদে ইব্‌নে জাওজী', মৌলুদে শ্বেখ আহমদ মালিকীৰ 'শ্বৰাহ কতহুচ্ছামা দিল আ'লম' আৰু শ্বেখ আহমদ আলীশ মালিকীৰ 'আল কওলুল মুনজি' নামৰ কিতাপত মীলাদ ও ক্বিয়ামক মুস্তাহাব প্ৰমাণ কৰিছে। আল্লামা ইছমাইল হক্কী (ৰঃ)এ 'তফছীৰে ৰুহুল বয়ান'ত অনুৰূপ মন্তব্য আগবঢ়াইছে। আ'ল্লামা উছমান বিন হাছান, মুহাদ্দিচে দিমাতি 'ইস্‌বাতুল-ক্বিয়াম'ত মীলাদ ক্বিয়ামৰ ওপৰত একেধৰণৰ মন্তব্য আগবঢ়াইছে। ইয়াৰ বাহিৰেও ইমাম ছবকী তেখেতে আ'ল্লামা কাস্তালানী আৰু জুৰকানীৰ বক্তব্য আৰু তেওঁলোকৰ মতৰ সপক্ষে উদ্ধৃত কৰিছে।

ভাৰতবৰ্ষৰ মোগল জামানাৰ বিখ্যাত মুহাদ্দিচ শ্বাহ আব্দুল হক দেহ্লৱী (ৰঃ)এ 'মাদাৰিজুন্নুবুৱাত'ত, শ্বাহ ৱালিউল্লাহ মুহাদ্দিচ দেহ্লৱী (ৰঃ)এ 'ফুয়জুল হাৰমাইন' আৰু 'দুৰৰে





সমীন'ত, শ্বাহ আব্দুল আজিজ দেহ্লৱী (ৰঃ)এ 'ফত্ৱা আজিজীয়া'ত। দেওবন্দী সকলৰ মুৰব্বী মৌঃ ৰচিদ আহমদ গংগুহী, দেওবন্দ মাদ্ৰাছাৰ প্ৰতিষ্ঠাপক মৌঃ কাছিম নানথৱীৰ উস্তাদ হজৰত মাওলানা আব্দুল গণি মুজাদ্দিদীয়ে তেওঁৰ কিতাপ 'সিফউসাইলে'ত মৌঃ শ্বেখ মুহাম্মদ মুহাদ্দিচ থানৱীয়ে নিছায়ী শ্বৰীফৰ হাশিয়াত, দেওবন্দী সকলৰ পীৰ মুৰ্শ্বীদ হজৰত হাজী ইমদাদুল্লাহ মোহাজিৰে মক্কী (ৰঃ)এ 'ফয়চালায়ে হাফ্তে মাচাইল'ত, মৌঃ আব্দুছ ছামে ৰামপুৰীএ 'আনোৱাৰে সাতেয়া'ত, মৌঃ ছালামাতুল্লাহ ৰামপুৰী (ৰঃ) এ 'ইজবাউল কালাম ফী ইজবাতিল মৌলুদি ওৱাল ক্বিয়াম'ত আ'ল্লামা ইব্‌নে হজৰ হায়স্বামী (ৰঃ)এ 'তুহ্ফাতুল আখিয়াৰ ফী মৌলুদিল মোখতাৰ'ত, আ'ল্লামা ইব্‌নে হজৰ হায়স্বামী মক্কী (ৰঃ)এ 'মৌলুদিল কবিৰ'ত, ইমাম সফুৰী (ৰঃ)এ 'নুয্হাতুল মাজালিছ'ত, পাক- ভাৰত উপমহাদেশৰ প্ৰখ্যাত আ'লীমে হক্কানী মশহুৰ পীৰ, হজৰত মৌঃ কেৰামত আলীজৌনপুৰী (ৰহঃ)এ 'মৌলুদে খায়ৰুলবাৰিয়াহ'ত, বিখ্যাত আ'লীম মৌঃ আব্দুল হক মোহাজিৰে মক্কী(ৰঃ)এ 'আদ্দুৰ্ৰুল মুনাজ্জাম ফী হুক্‌মে আ'মলে মৌলুদিন নাবীয়িল আজম'ত প্ৰচলিত মীলাদ শ্বৰীফৰ অনেক ফজীলত আৰু বৰকতৰ বিষয়ে বৰ্ণনা কৰিছে।

হজৰত আনাছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে-"হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে ইৰ্শ্বাদ ফমাইছে-" তোমালোকৰ কোনোৱে সেই পৰ্যন্ত মু'মিন হ'ব নোৱাৰিবা, যি পৰ্যন্ত তাৰ পিতা, সন্তান আৰু সমস্ত লোকতকৈ মোৰ প্ৰতি বেছি মুসাব্বত নহ'ব।" আমীৰুল মো'মিনীন হজৰত আ'লী (ৰাঃ)ক কোনোবাই সুধিছিল হুজুৰ পাক (স্বাঃ)ৰ প্ৰতি আপোনাৰ কিমানখিনি মুসাব্বত আছিল? উত্তৰত তেওঁ (ৰাঃ) কৈছিল-"খোদাৰ ক্বচম! আমাৰ ওচৰত হুজুৰ পাক (স্বাঃ) নিজৰ জান-মাল, সন্তান-সন্ততি, মা-বাবা আৰু ভীষণ পিয়াহৰ সময়ত ঠাণ্ডা পানীতকৈও অধিকতৰ প্ৰিয় আছিল।" (হজৰত আ'ল্লামা ক্বাজী আয়াজ (ৰহঃ)ৰ 'শ্বিফা শ্বৰীফ')

ওৱাহাবী সকলৰ নিচিনা অনেকেই ধাৰণা কৰে হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ জীৱন কালত মীলাদৰ প্ৰচলন হোৱা নাই গতিকে এয়া বিদ্‌আ'তৰ বাহিৰে আৰু কি হ'ব পাৰে? তেওঁলোকক প্ৰশ্ন কৰা হ'ল- হুজুৰ পাক (স্বাঃ)এ তেওঁ (স্বাঃ)ৰ জীৱন চৰিত, জন্ম বৃত্তান্ত বা তেওঁ (স্বাঃ)ৰ স্মৰণাৰ্থে দৰুদ ছালামৰ মাহফিল কৰাক নিষেধ কৰিছেনে? চাহাবা কিৰাম (ৰাঃ) সকলে কেতিয়াও হুজুৰ পাক (স্বাঃ)ৰ জীৱন চৰিত, তেখেত (স্বাঃ)ৰ ফজীলত, মুঅ'জিজা মুবাৰক সম্বন্ধে আলোচনা কৰা নাইনে? তেওঁলোকে হুজুৰ পাক (স্বাঃ)ৰ শ্বানত প্ৰশংসাসূচক কোনো শব্দ কোৱা নাইনে? তেওঁলোকে হুজুৰ পাক (স্বাঃ)ৰ ওপৰত দৰুদ ছালাম পাঠ কৰা নাইনে? যদি তেওঁলোকে কৰিছিল তেতিয়া হ'লে জামাআ'ত আকাৰে একত্ৰিত হৈ কৰিলে নাজায়েজ, বিদ্‌আ'ত, শ্বিৰ্ক, ইছলামবিৰোধী কেনেকৈ হ'ব?

ইয়াৰ উপৰিও হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে যিবিলাক কৰ্মৰ নিষেধ কৰা নাই পিছত ওলাইছে যদি মুছলমান সকলে ইয়াক ভাল কাম বুলি কৰি থাকে যেনেঃ দ্বীনী

pdf By Syed Mostafa Sakib



শিক্ষাৰ বাবে মাদ্ৰাছা প্ৰতিষ্ঠা কৰা, কিতাপ-পত্ৰ প্ৰণয়ন কৰা, মীলাদুন্নবী (স্বাঃ), মৃতকৰ ঈছালে স্বাৱাবৰ অনুষ্ঠান সমূহ, ফাতিসাহ কৰা, দেওবন্দী সকলে বুখাৰী শ্বৰীফ খতমৰ বাবে মাহ্ফিল কৰা, ছীৰাতুন্নবী (স্বাঃ) জলছাহ অনুষ্ঠিত কৰা, দস্তৰবন্দী জলছাহ কৰা, দেওবন্দ মাদ্ৰাছাৰ শতবাৰ্ষিকী সমাৰোহ পালন কৰা, প্ৰচলিত তব্লীগৰ ছিল্লা মাৰা, বাৰ তছ্বীহৰ সমূহীয়া জিকিৰ আদিবোৰ বিদ্আ'ত শ্বিৰ্ক নহব'নে?

আমাৰ দেশৰ এক শ্ৰেণীৰ তথাকথিত উ'লামা যিয়ে নিজকে আহ্লে ছুন্নত ৱাল জামাআ'তৰ লোক বুলি দাবী কৰে। ওৱাহাবী সকলৰ ভ্ৰান্ত মতবাদ সম্বন্ধে অজ্ঞ, যিসকলৰ পূৰ্বানুৱৰ্ত্তী গুৰু সকলে মীলাদ শ্বৰীফ পাঠ কৰিছিল, দৰুদ ছালাম পাঠক জায়েজ আৰু স্বাৱাবৰ কাম বুলি ধাৰণা কৰিছিল। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ৱাস্বীলা লৈ দুআ' কৰাৰ লগতে 'দালাইল খায়ৰাত শ্বৰীফ' পাঠ কৰিছিল। মীলাদ শ্বৰীফক অস্বীকাৰকাৰী সকলৰ পূৰ্বানুৱৰ্ত্তী গুৰু হাজী ইম্দাদুল্লাহ মুহাজীৰে মক্কী (ৰহঃ)এ তেখেতৰ দ্বাৰা ৰচিত গ্ৰন্থ 'ফয়চালায়ে হফ্ত মাছাইল'ৰ ৭ পৃঃত কৈছে-"ফক্বীৰ (মোৰ)ৰ নিয়ম এই যে মাহ্ফিলে মৌলুদ শ্বৰীফত মই উপস্থিত হওঁ। লগতে বৰকতৰ জৰিআ' (মাধ্যম) বুলি গণ্য কৰো। প্ৰত্যেক বছৰে ইয়াক আয়োজন কৰো আৰু ক্বিয়ামৰ মুহূৰ্ত্তত অত্যাধিক তৃপ্তি অনুভৱ কৰোঁ।"

**ভাৰতবৰ্ষত ওৱাহাবীয়ৎৰ আগমণ ঃ**

ভাৰতবৰ্ষত হজৰত শ্বাহ আব্দুল আজিজ মুহাদ্দিচ দেহ্লৱী (ৰহঃ)ৰ সময়ত ওৱাহাবীয়ৎৰ কোনো নাম গোন্ধেই নাছিল। তেওঁৰ ইন্তেকালৰ পিছতো ভাৰতৰ গণ্য-মান্য সমস্থ উ'লামা কিৰাম ছুন্নী মতাৱলম্বী আছিল। কিন্তু তেওঁৰ ভতিজা মৌঃ ইছমাঈল দেহ্লৱী, মৌঃ আব্দুল হাই আৰু দুই এজন মৌলৱী ওৱাহাবীয়ৎৰ প্ৰতি আকৃষ্ট হৈছিল। ১২৪৮ হিজ্ৰীত দিল্লীৰ ঐতিহাসিক মুনাজাৰাত আহ্লে ছুন্নত ৱাল জামাআ'তৰ উ'লামা সকলৰ বিপক্ষে এওঁলোকে ওৱাহাবীয়ৎৰ পক্ষালম্বণ কৰা এয়াই প্ৰমাণ কৰে। ভাৰতবৰ্ষত সৰ্বপ্ৰথম ওৱাহাবী মতবাদ গ্ৰহণ কৰিছিল ছৈয়্যিদ আহমদ ৰায়বেৰেলৱী আৰু তেওঁৰ শিষ্য মৌঃ ইছমাঈল দেহ্লৱীয়ে। "ভাৰতৰ ওৱাহাবী আন্দোলনৰ প্ৰতিষ্ঠাতা আছিল ৰায়বেৰেলীৰ ছৈয়্যদ আহমদ।" (আধুনিক ভাৰতেৰ ইতিহাস, পৃঃ ১৯৯), "ৰায়বেৰেলীৰ ছৈয়্যদ আহমদ আছিল ওৱাহাবী আন্দোলনৰ এজন নেতা।" (ইতিহাস কথা কয়, পৃঃ ১১৭, লিখক মুহাম্মদ মুদাব্বিৰ, ১ম প্ৰকাশ, ১৯৮১ চন, প্ৰকাশক- ইছলামী ফাউণ্ডেশ্বন বাংলাদেশ)। মুদাব্বিৰ চাহেবে আৰু লিখিছে- "ছৈয়্যদ আহমদ মক্কা শ্বৰীফৰ পৰা লগত লৈ আহিছে নতুন মন্ত্ৰ 'ওৱাহাবী মতবাদ'।" (ইতিহাস কথা কয়, পৃঃ ১১৭) উক্ত গ্ৰন্থখনত আৰু আছে-"মক্কা শ্বৰীফৰ পৰা আহি ছৈয়্যদ আহমদ ৰায়বেৰেলৱীয়ে ওৱাহাবী মতবাদ প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰে।" (ইতিহাস কথা কয়, পৃঃ ১১৭) মৌঃ ইছমাঈল দেহ্লৱী আৰু তেওঁৰ পীৰ ছৈয়্যদ আহমদ ওৱাহাবী হোৱাৰ প্ৰমাণ আছে- 'তফ্ছীৰে হক্কানী'ৰ ১১২ পৃঃত, ছুৰা বকৰৰ 'তফ্ছীৰে ফুয়ুজে কাছিমী'ৰ ২০, ২১ পৃঃ





আৰু 'হিন্দুস্থান'ৰ ১১৪ পৃঃত। মুহাম্মদ আব্দুল ওৱাহাব নজ্দী ৰচিত 'কিতাবুত্তাওহিদ'ৰ উৰ্দু অনুবাদ 'তাক্বৱিয়াতুল ঈমান' নামেৰে নামাকৰণ কৰি মৌঃ ইছমাঈল দেহ্লৱীয়ে ওৱাহাবী হোৱাৰ পৰিচয় দিলে। ইয়াক তেওঁৰ দলীয় মৌঃ ওৱাহিদুজ্জামানে 'হাদিয়াতুল মাহ্দি' কিতাপৰ ২৬ পৃঃত সমৰ্থন কৰিছে। খাঁন চাহেবে কৈছে-"তাক্বৱিয়াতুল ঈমান প্ৰথমতে আৰবীত লিখিলে, পিছত আকৌ উৰ্দুত লিখিলে। ইয়াৰ পিছত তেওঁৰ নিৰ্দিষ্ট কিছুমান ব্যক্তিক মাতিলে। ছৈয়্যদ চাহেব, মৌঃ আব্দুল হাই, শ্বাহ ইছহাব, মৌঃ ইয়াকুব, মৌঃ ফৰিদউদ্দিন মোৰাদাবাদী, মুহাম্মদ খাঁ, আব্দুল্লাহ খাঁ উলুৱী আছিল। সিহঁতৰ সন্মুখত 'তাক্বৱিয়াতুল ঈমান' ৰখা হৈছিল। মই ক'লো-মই এইখন কিতাপ লিখিলো। মই জানো ইয়াত সাংঘাটিক শব্দ আহি গৈছে। উদাহৰণ স্বৰূপে- যিটো সৰু শ্বিৰ্ক আছিল সেইটো ডাঙৰ শ্বিৰ্ক লিখি দিলো। মই ভাবিছো ইয়াৰ দ্বাৰা নিশ্চয় ফিত্না ফাছাদ হ'ব।" (আব্ৱাহে চালাচা, পৃঃ ৮০, ৮১) এই কিতাপ তাক্বৱিয়াতুল ঈমানে অখণ্ড ভাৰতৰ মুছলমান সকলৰ মাজত ফিত্নাৰ সৃষ্টি কৰে। ইয়াৰ পিছত ভাৰতবৰ্ষত ওৱাহাবী মতবাদৰ ব্যাপক প্ৰচাৰ অভিযান আৰম্ভ হয়। যাৰ কাৰণে তেওঁৰ বংশৰ ডাঙৰ ডাঙৰ আ'লীম বিশেষ কৰি ইছমাঈল দেহ্লৱীৰ খুড়া শ্বাহ আব্দুল আজিজ দেহ্লৱী (ৰহঃ) অত্যন্ত অসন্তুষ্ট হৈছিল। যিহেতু অখণ্ড ভাৰত হানাফী প্ৰধান দেশ। সেই হেতুকে ইছমাঈল দেহ্লৱীৰ শিষ্য সকলে দুই ভাগত বিভক্ত হৈ পৰিল। এটা দলে তেওঁৰ মতবাদ প্ৰকাশ্য পালন কৰিব ধৰিলে। এওঁলোকে নিজকে আহ্লে হাদীচ বুলি দাবী কৰে। কিন্তু এওঁলোকক গাইৰ মুকাল্লিদ বা লা-মজহাবী বোলা হয়। আৰু এটা দলে তেওঁৰ মতবাদ পূৰ্ণভাৱে গ্ৰহণ কৰিছিল। কিন্তু বাহ্যিকভাৱে হানাফী মযহব অনুযায়ী আ'মল কৰিব ধৰিলে, এওঁলোকক দেওবন্দী বা গোলাবী ওৱাহাবী (অৰ্দ্ধেক ওৱাহাবী) বোলা হয়। এই উভয় দলৰে ধৰ্মীয় কাম-কাজ ও আচৰণৰ ক্ষেত্ৰত বাহ্যিকভাৱে কিছু প্ৰাৰ্থক্য থাকিলেও ইহঁতৰ আক্বীদাহ বা ধৰ্মীয় দৰ্শনৰ মাজত কোনো প্ৰাৰ্থক্য নাই। এই ক্ষেত্ৰত উভয় দলেই মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্দী সম্পৰ্কে ভাল ধাৰণা পোষণ কৰে আৰু সেই আক্বীদাহৰেই পৃষ্ঠপোষক।

দেওবন্দী সকলৰ মুৰব্বী মৌঃ ৰচিদ আহমদ গংগুহী 'ফত্ৱায়ে ৰচিদীয়া' গ্ৰন্থৰ ১ম খণ্ডৰ 'তাক্লীদ' শীৰ্ষক আলোচনাৰ ১১৯ পৃঃত লিখিছে-"মুহাম্মদ বিন আব্দুল ওৱাহাব নজ্দীৰ অনুসৰণকাৰী সকলক ওৱাহাবী বোলা হয়। তেওঁৰ আক্বীদাহ ভাল আছিল। তেওঁ হাম্বলী মযহবৰ অনুসাৰী আছিল। অৱশ্যে তেওঁ উগ্ৰ মেজাজৰ লোক আছিল।"

মৌঃ ইছমাঈল দেহ্লৱীৰ 'তাক্বৱিয়াতুল ঈমান'ত বৰ্ণিত কেইটামান ভ্ৰান্ত আক্বীদাহ হ'ল—

১। "হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক ডাঙৰ ভাইৰ দৰে সন্মান কৰিব লাগে কাৰণ তেখেতো এজন মানুহ।" (কিতাপ 'তাক্বৱিয়াতুল ঈমান' (تقویۃ الایمان)পৃঃ ৫০ লিখক মৌঃ ইছমাইল দেহ্লৱী)

২। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহিৱা ছাল্লামে কৈছে "ময়ো মৰি মাটিৰ লগত মিহলি হৈ

pdf By Syed Mostafa Sakib



যাম।” (কিতাপ তাক্‌ৱিয়াতুল ঈমান تقوية الايمان ৫৯ পৃঃ লিখক মৌঃ ইছমাইল দেহলৱী)

৩। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামক 'ইয়া ৰছুলুল্লাহ কোৱা শ্বিৰ্ক', 'নবী পাক(স্বাঃ)ৰ দৰে মানুহ হোৱা সম্ভৱ', 'হুজুৰ পাক (স্বাঃ)ৰ ৰৌজা জিয়াৰত কৰাৰ বাবে চফৰ কৰা আৰু ৰৌজাৰ সন্মূখত তাজীমৰ বাবে থিয় দিয়া শ্বিৰ্ক', 'নবীসকলৰ প্ৰশংসা মানুহৰ নিচিনা কৰা লাগিলে তাতকৈ ও কমকৈ কৰা', 'যাৰ নাম মুসাম্মদ (স্বাঃ) আৰু আ'লী (ৰাঃ) তেওঁ একো বস্তুৰ অধিকাৰী নহয়' (মৌঃ ইছমাইল দেহ্‌লৱীৰ তাক্‌ৱিয়াতুল ঈমান(تقوية الايمان) ১২ পৃঃ, ৩৯ পৃঃ, ৩২ পৃঃ, ৩৪ পৃঃ, ৫০ পৃঃ)

মৌঃ ৰচিদ আহমদ গংগুহীয়ে কৈছে-“তাক্‌ৱিয়াতুল ঈমান কিতাপখন পাঠ কৰা আৰু ৰখা প্ৰকৃত ঈমান। ইয়াৰ বিষয়বস্তু কুৰ্‌আন হাদীচৰ দৰে।” (ফত্‌ৱা ৰচিদীয়া) মৌঃ আশ্ৰফ আলী থানৱীয়ে কৈছে-“তাক্‌ৱিয়াতুল ঈমান বৰ্তমান জামানাৰ মহৌষধি স্বৰূপ।”

প্ৰথম অৱস্থাত উ'লামাএ দেওবন্দী সকলে ওৱাহাবী বুলি পৰিচয় দিবলৈ লজ্জাবোধ কৰিছিল। তেওঁলোকক কোনোৱে ওৱাহাবী বুলিলে অসন্তুষ্ট হৈছিল। এনেকি প্ৰয়োজনবোধে ওৱাহাবী সকলৰ বিৰুদ্ধাচৰণ কৰিছিল। যেতিয়া মুজাদ্দিদ, কলমৰ বাদশ্বাহ, শ্বাইখুল ইছলাম ৱাল মুছলিমীন ইমাম আহমদ ৰেজাখাঁ ক্বাদ্‌ৰী (ৰহঃ)এ উ'লামাএ দেওবন্দী সকলক ওৱাহাবী বুলি চিহ্নিত কৰাই দিলে তেতিয়া মৌঃ হুছেইন আহমদ মাদানীয়ে 'আশ্ব্‌শ্বিহাবুশ্ব শ্বাকিব' কিতাপত ওৱাহাবী সকলৰ বদ আক্বীদাহ তথা ভ্ৰান্ত ধাৰণা সম্পৰ্কে বিস্তাৰিতভাৱে আলোচনা আগবঢ়াই নিজৰ গুৰুসকলক বচাবলৈ অপচেষ্টা কৰে। মাদানী চাহেবৰ উক্ত কিতাপখন অধ্যয়ন কৰিলে কোনো লোকে দেওবন্দী সকলক ওৱাহাবী বুলিব নোৱাৰিব।

অৱশ্যে উ'লামাএ দেওবন্দ আৰু তব্‌লীগ জামাআ'তৰ মূৰব্বী সকলে নিজকে ওৱাহাবী বুলিহে গৌৰৱবোধ কৰিছিল। উ'লামাএ দেওবন্দৰ খ্যাতনামা আ'লীম মৌঃ মঞ্জুৰ নোমানী আৰু তব্‌লীগী নিছাবৰ লিখক মৌঃ জাকাৰিয়া কান্দলৱী চাহেব এক বিশেষ মছলা আলোচনা প্ৰসঙ্গত নিজকে ওৱাহাবী বুলি পৰিচয়দিছে। নোমানী চাহেবে কৈছে-“মই মোৰ সম্পৰ্কে পৰিস্কাৰ ঘোষণা কৰিছো, মই ডাঙৰ কঠোৰ ওঁৱাহাবী হওঁ।” (চাৱানিহে মৌলানা ইউছুফ, পৃঃ ১৯১) ইয়াৰ উত্তৰত মৌঃ জাকাৰিয়া চাহেবে ক'লে-“মৌলৱী চাহেব! মই নিজে তোমাতকৈ ডাঙৰ ওঁৱাহাবী হওঁ।” (চাৱানিহে মৌলানা ইউছুফ, পৃঃ ১৯৩)

মৌঃ আশ্ৰফ আলী থানৱী চাহেব কানপুৰত থকা কালত কৈছিল — “ভাইহত ইয়াত ওৱাহাবী সকল থাকে ফাতিসাহৰ চিন্নী নপথাব।” (আশ্ৰাফুচ্ছাৱান, ১ ম খণ্ড, ৪৫০ পৃঃ) থানৱী চাহেবে আৰু কয়- “যদি মোৰ হাতত ১০,০০০ (দহ হাজাৰ) টকা থাকিলহেঁতেন তেন্তে উপঢৌকন দি মানুহক ওৱাহাবী বনালোহেঁতেন।” (আল ইফাদাতুল্ ইয়াও্‌মিয়াহ, ৩ য় খণ্ড ৯৭ পৃঃ)

যদি কোনোৱে খৃষ্টান বুলি নিজকে পৰিচয় দিয়ে, তেনেহ'লে তেওঁক মুছলমান বুলি





গণ্য কৰা উচিত নহ'ব। আশ্ৰফ আলী থানৱী, মঞ্জুৰ নোমানী আৰু জাকাৰিয়া কান্দলৱী কোনো সাধাৰণ আ'লীম নহয় উ'লামাএ দেওবন্দ আৰু তব্‌লীগৰ হোতা তথা শীৰ্ষস্থানীয় আ'লীম। যেতিয়া তেওঁলোকে স্ব-ইচ্ছাই নিজকে ওৱাহাবী বুলি পৰিচয় দান কৰিছে তেতিয়া হ'লে আমি তেওঁলোকক ওৱাহাবী বুলিলে আপত্তি ক'ত? ইনছাফ কৰি কওঁক। মাদানী চাহেবৰ কলমত ওৱাহাবী সকলৰ যিবিলাক আক্বাঈদ বৰ্ণনা কৰা হৈছে, তেওঁলোক কি মুছলমান? যদি দেহত এক বিন্দুও ঈমানী ৰক্ত থাকে তেনেহ'লে কি কোনো মুছলমানে তব্‌লীগী জামাআ'তীক সমৰ্থন কৰিব পাৰিব? হায়! হায়! কলিমা নামাজৰ লেবেল দেখি হাজাৰ হাজাৰ ছুন্নী মুছলমান বিভ্ৰান্ত হোৱা নাইনে? হাজাৰ হাজাৰ ডাক্টৰ, মাষ্টৰ, স্কুল কলেজৰ ছাত্ৰ যি সকলৰ দ্বীন সম্পৰ্কে প্ৰাথমিক জ্ঞান নাই তেওঁলোকে এই জামাআ'তৰ চক্ৰান্তত পৰি গোমৰাহীৰ গভীৰতাত সোমাই গৈছে। আমি এই সম্পৰ্কত যোৱা ৩০ মাৰ্চ, ৬ এপ্ৰিল আৰু ২০ এপ্ৰিল, ২০১২ৰ 'নিয়মীয়া বাৰ্তা'ৰ সমন্বয় শিতানত বিস্তাৰিতভাৱে আলোচনা আগবঢ়াইছিলো। এই বিষয়ে আমাৰ 'তব্‌লীগ জামাআ'ত' পুস্তিকাত বিস্তাৰিত বিৱৰণ পাব।

এই সকল আ'লীমেই ভাৰতবৰ্ষত প্ৰথম মীলাদ, ফাতিসাহ ইত্যাদিৰ বিৰোধীতা কৰিছিল। আশ্চৰ্য্যৰ বিষয় এই যে আজিৰ পৰা প্ৰায় ১০০ বছৰ আগতে কিন্তু এই উ'লামা সকল একেই আহ্‌লে ছুন্নত ৱাল জামাআ'তত আছিল সকলোৱেই মীলাদ-ক্বিয়াম, উ'ৰছ, ফাতিসাহ, দুআ'-দৰুদ, আজানৰ পিছত হাত উঠাই দুআ' কৰা, হুজুৰ পাক (স্বাঃ)ৰ খিদ্‌মতত শ্বাফায়াত প্ৰাৰ্থনা কৰা, ইয়া ৰাছুলাল্লাহ (স্বাঃ) বোলা, হুজুৰ পাক (স্বাঃ)ক আল্লাহ পাকে ইল্‌মে গায়ব (অদৃশ্য জ্ঞান) দান কৰিছে ইত্যাদি মছলা মানি লোৱাত সকলোৱে একমত আছিল। এইবোৰ এক্তেলাফী মছলাত কোনো প্ৰকাৰৰ মতবিৰোধ নাছিল। তেতিয়া কেৱল মাত্ৰ লা-মযহাবী সকলেহে ইক্তেলাফ (বিৰুদ্ধাচৰণ) কৰিছিল। বৰ্ত্তমান যিসকল দেওবন্দী উ'লামাই ওৱাহাবী মতবাদ গ্ৰহণ কৰি উক্ত মছলাবোৰৰ বিৰুদ্ধাচৰণ কৰিছে। তেওঁলোকে কিন্তু এশ বছৰ আগতে এইবোৰ মছলাৰ পক্ষে আছিল আৰু লা-মযহাবী সকলৰ বিৰোধীতা কৰিছিল। প্ৰমাণৰ বাবে 'ফত্‌হুল মুবিন' কিতাপৰ দ্বিতীয় সংস্কৰণ ১০৩৫ হিজ্‌ৰীৰ মুদ্ৰণ চাওঁক। মৌঃ ৰচিদ আহমদ গংগুহী আৰু দেওবন্দী সকলৰ কেইবাজনো মৌলানাই স্বাক্ষৰ কৰিছে। সেইদৰে মৌঃ আশ্ৰফ আলী থানৱী আৰু তেওঁৰ লগত কাণপুৰৰ কেইবাজনো মৌলানাই দস্তখত কৰিছিল। উল্লেখ্য যে থানৱী চাহেব সেই সময়ত কাণপুৰ মাদ্ৰাছাৰ প্ৰধান শিক্ষক আছিল।

উল্লেখিত 'ফত্‌হুল মুবিন' কিতাপত ভাৰত আৰু মক্কা মদীনা শ্বৰীফৰ বিশিষ্ট উ'লামা কিৰাম সকলে দস্তখত কৰি প্ৰমাণ কৰি দিয়ে যে ওৱাহাবী সকলৰ মতবাদ বাত্বিল আৰু ভিত্তিহীন। ইয়াৰ দ্বাৰা প্ৰমাণ হ'ল যে তেওঁলোক প্ৰথম অৱস্থাত আহ্‌লে ছুন্নত ৱাল জামাআ'তত আছিল পিছলৈ ওৱাহাবী আক্বীদাহ মানি চলিবলৈ ধৰে। মৌঃ ৰচিদ আহমদ গংগুহী, মৌঃ কাছিম নানথৱী, মৌঃ আশ্ৰফ আলী থানৱীৰ পীৰ আছিল হজৰত হাজী ইমদাদুল্লাহ মুহাজীৰে

pdf By Syed Mostafa Sakib



মক্কী (ৰহঃ)। এখেত অন্যান্য দেওবন্দী আ'লীম সকলৰো পীৰ আৰু আহ্‌লে ছুন্নত ৱাল জামাআ'তৰ এজন কামীল পীৰ আছিল। কিন্তু তেখেতে আজীৱন মীলাদ শ্বৰীফ, ক্বিয়াম, ফাতিসাহ আদি সমস্ত ইস্তেলাফী মছলা পালন কৰি গৈছে। তেখেতে উপৰুক্ত বিষয় সম্বন্ধে এখনি সু-প্ৰসিদ্ধ গ্ৰন্থ ৰচনা কৰিছে। যাৰ নাম 'ফয়্‌চালায়ে হফ্‌ত মাছাইল'। উক্ত গ্ৰন্থখনত মীলাদ ক্বিয়াম সম্পৰ্কে তেওঁ ফৰ্মাইছে-"এইটো স্বাৱাৱৰ কাম, মই নিজেও কৰো আৰু ইয়াৰ দ্বাৰা তৃপ্তি অনুভৱ কৰো।" (ফয়্‌চালায়ে হফ্‌ত মাছাইল, পৃঃ ৭) সেয়ে ওৱাহাবী বা দেওবন্দী মতবাদ মতে তেখেত মুশ্বৰিক আৰু বিদ্‌আ'তী। এতিয়া প্ৰশ্ন হ'ল এই বিদ্‌আ'তী মুশ্বৰিকৰ হাতত দেওবন্দী সকলৰ মুৰব্বী সকল কেনেকৈ বয়াত হ'ল? আকৌ বিদ্‌আ'তী পীৰ মুৰ্শ্বিদৰ পৰা কেনেকৈ ফয়েজ পালে? সেয়ে নানথৱী, থানৱী, গংগুহী চাহেবান প্ৰথম অৱস্থাত আমাৰ দৰে আহ্‌লে ছুন্নত ৱাল জামাআ'তত আছিল বাবে মীলাদ-ক্বিয়ামকাৰী পীৰৰ হাতত নিজকে বয়াত কৰাইছিল। সেয়ে এই বয়াতৰ দ্বাৰাই প্ৰমাণিত হয় যে আগতে সকলো দেওবন্দী উ'লামাই মীলাদ ক্বিয়াম কৰিছিল। পিছলৈ ওৱাহাবী মযহবত সোমাই তেওঁলোক দিশহাৰা হৈ ওৱাহাবী আক্বীদাহ গ্ৰহণ কৰে। গংগুহী চাহেবে তেওঁৰ পীৰ ইমদাদুল্লাহ চাহেবৰ ইন্তেকালৰ সময়ত তেওঁক সম্বোধন কৰিছে-"হায় ৰাস্‌মাতুল্লিল আ'লামিন।, হায় ৰাস্‌মাতুল্লিল আ'লামিন! বুলি।

এইখিনিতে উল্লেখ্য যে হাজী ইমদাদুল্লাহ চাহেবৰ খলিফা আছিল ক্ৰমে —১। মৌঃ কাছিম নানথৱী (মৃত্যু-১৩৩৬ হিজৰী), ২। মৌঃ ৰচিদ আহমদ গংগুহী (মৃত্যু-১৩২২ হিজৰী), ৩। মৌঃ আশ্ৰফ আলী থানৱী (মৃত্যু-১৩৬২হিজৰী), ৪। মৌঃ আব্দুছ ছামে ৰামপুৰী, আনোৱাৰে ছাতেয়াৰ লিখক (মৃত্যু-১৩১৮হিজৰী)। খুবেই দুখৰ বিষয় যে মৌঃ আব্দুছ ছামে ৰামপুৰী চাহেবৰ বাহিৰে নানথৱী, থানৱী, গংগুহী চাহেবানে ছীল মোহৰ কৰি নিজৰ স্বাক্ষৰ দি মছলা সমূহ মানি লৈ ওৱাহাবী মযহব গ্ৰহণ কৰে।

মৌঃ আনোৱাৰ শ্বাহ কাশ্মিৰী দেওবন্দীৰ 'ফয়জুল বাৰী' কিতাপত আব্দুল ওৱাহাব নজ্‌দীক তীব্ৰ নিন্দা আৰু ভৎসনা কৰিছে। তেওঁক জাহিলৰ লগত তুলনা কৰিছে। তেখেতে ওৱাহাবী মতবাদ গ্ৰহণ কৰা নাই। এই কাৰণে ইমান ডাঙৰ মুহাদ্দিচ হোৱা স্বত্তেও তেওঁৰ নাম নাইকিয়া হৈ গৈছে যদিও তেওঁ দেওবন্দ মাদ্ৰাছাৰ মুহাদ্দিচ আছিল। কিন্তু তেওঁক দেওবন্দী সকলে ভাল পোৱা নাই। এবাৰ তেওঁক মাদ্ৰাছাৰ পৰা বাহিৰ কৰি দিয়া হৈছিল। একমাত্ৰ কত্তৰ ওৱাহাবী নোহোৱাৰ কাৰণে তেওঁ দেওবন্দত সন্মান পোৱা নাছিল।

এই আ'লীম সকল আছিল ব্ৰিটিছৰ সাহাৰ্য্যপুষ্ট। ইং ১৮৫৭ চনত ভাৰতৰ সমস্থ গণ্য মান্য উ'লামা সকলে ইংৰাজৰ বিৰুদ্ধে জিহাদৰ ফত্‌ৱা দি অনেক লাঞ্চনা ভোগ কৰিছিল, নিৰ্বাসিত পৰ্য্যন্ত হৈছিল। কিন্তু উপৰোল্লিখিত মৌলানা সকলৰ মতে - "ৰহমদিল ইংৰাজ সকলৰ প্ৰজা হিচাপে তেওঁলোকক সাহাৰ্য্য কৰা আছিল ফৰজ (বাধ্যতামূলক), ইংৰাজ সকলৰ বিৰুদ্ধে জিহাদ সম্পূৰ্ণ হাৰাম।" (হায়াতে তাইবীয়া, পৃঃ ২৯৬, তাৰিখে আজীবা, পৃঃ ৯১)





ইয়াৰ উপৰিও তেওঁলোকে ইংৰাজৰ পক্ষালম্বণ কৰি ইংৰাজৰ মনোৰঞ্জনৰ বাবে ভাৰতবাসী এনেকি মুছলমান সকলৰ বিৰুদ্ধেও জিহাদ চলাইছিল বুলি 'তাজ্‌কিৰাতুৰ ৰচিদ', ২য় খণ্ড, ২৭০ পৃঃ আৰু 'নুজ্‌হাতুল খাওৱাতীৰ' ৭ম খণ্ড, ৪০৬ পৃঃত উল্লেখ আছে। তেওঁলোকৰ ইংৰাজ প্ৰিতীৰ আৰু অনেক প্ৰমাণ আছে- 'ছীৰাতে আহমদ শ্বহীদ' ১ম খণ্ড, ১৯০ পৃঃ, 'তাৰিখে আজীবা', ৮২, ৮৯ পৃঃ, 'হায়াতে তাইবীয়া'ৰ ৩০২ পৃঃ আৰু 'মুকালামাতুচ্‌ চাদৰাইন', ৮ পৃঃত। মৌঃ চব্বিৰ আহমদ ওচমানীয়ে কৈছে-"চোৱা মৌঃ থানৱী আমাৰ বুজুৰ্গ আৰু মুখিয়াল হয় তেওঁৰ বিষয়ে কিছু লোকৰ পৰা শুনা গৈছে 'থানৱী চাহেবক ৬০০ টকা মাহিলী বৃটিছ চৰকাৰৰ ফালৰ পৰা দিয়া হৈছিল, মৌঃ হিফ্‌জুৰ ৰহমান চিউহাৰৱী (নাজিমে জমিএতুল উ'লামায়ে হিন্দ)এ কৈছে-"ইলিয়াছ চাহেবক প্ৰথমতে তব্‌লীগী জামাআ'তৰ বাবে বৃটিছ চৰকাৰৰ ফালৰ পৰা হাজী ৰচিদ আহমদৰ জৰিয়তে কিছু টকা পাইছিল। ('মুকালামাতুচ্‌ চাদৰাইন', ৮,১১ পৃঃ) (এই লিখনীত উল্লেখ কৰা দেওবন্দী সকলৰ আটাইবিলাক কিতাপ পিছৰ নতুন সংস্কৰণত কিছুমান তথ্য বাদ দিয়া হৈছে। সেয়েহে সঠিক তথ্য জানিবলৈ প্ৰতিখন গ্ৰন্থৰে উৰ্দ্দুভাষাত ৰচিত প্ৰথম প্ৰকাশ চাব লাগিব, এই আটাইবোৰ কিতাপ যোৰহাটৰ মৌঃ ছৰ্‌ফৰাজ আলী ক্বাদ্‌ৰী চাহেবৰ ওচৰত সংৰক্ষিত আছে তেখেতৰ যোগাযোগৰ নং- ৯৯৫৪৪৭৫৬১৫) ব্ৰিটিছৰ সাহাৰ্য্য আৰু প্ৰৰোচনাত উক্ত মৌলৱী সকলে 'আল্লাহ পাকে মিছা ক'ব পাৰে', 'হুজুৰ পাক (স্বাঃ) শেষ নবী নহয়', 'নামাজত তেওঁ (স্বাঃ)ক স্মৰণ কৰাতকৈ গাধ আৰু বলধক স্মৰণ কৰাই উত্তম', 'হুজুৰ পাক (স্বাঃ)ক ডাঙৰ ভাইৰ দৰে সন্মান কৰিব লাগে', 'হুজুৰ পাক (স্বাঃ) মৰি মাটিৰ লগত মিহলি হৈ গৈছে', 'হুজুৰ পাক (স্বাঃ)ৰ ইল্‌ম পাগল পশু, সৰু ল'ৰাৰ সমান' 'আল্লাহুম্মা স্বাল্লি আ'লা ছাইয়্যিদিনা ৱা নবী আনা ৱা মাওলানা আশ্ৰফ আলী..... ( اللهم صل على سيدنا ونبينا ومولانا اشرف علی ) বোলা জায়েজ আছে নাউ'জুবিল্লাহ (বাৰাহীনুল ক্বাতীয়া, ফত্‌ৱা ৰচিদীয়া, তাহ্‌জিৰুন নাছ, ছীৰাতে মুস্তাকীম, তাক্‌ৱিয়াতুল ঈমান, হিফ্‌জুল ঈমান। লিখক সকল ক্ৰমে- মৌঃ খলিল আহমদ এম্বুটয়ী, মৌঃ ৰচিদ আহমদ গংগুহী, মৌঃ কাছিম নানথৱী, মৌঃ ইছমাঈল দেহ্‌লৱী আৰু মৌঃ আশ্ৰফ আলী থানৱী)

উপৰোক্ত মৌলৱী সকলে ভাৰতবৰ্ষত ওৱাহাবীয়ৎ প্ৰচাৰৰ বাবে ওৱাহাবী আন্দোলন চলাইছিল। আৰবৰ নিচিনা এই দেশৰ ওৱাহাবী সকলো ইংৰাজৰ লগত ঘনিষ্ঠ সম্পৰ্ক আছিল। পৰৱৰ্তী সময়ত ইংৰাজৰ আৰ্থিক সাহাৰ্য্যপুষ্ট এই মৌলৱী সকলকেই মুজাদ্দিদ, শ্বহীদ, মুজাহিদ আখ্যা দিছে। এই জঘন্য আক্বীদাহৰ বাবে মৌঃ কাছিম নানথৱী, মৌঃ ৰচিদ আহমদ গংগুহী, মৌঃ আশ্ৰফ আলী থানৱী, মৌঃ খলিল আহমদ এম্বুটয়ী এই চাৰিজন মৌলৱীক মক্কা আৰু মদীনা শ্বৰীফৰ মুফ্‌তীয়ানে কিৰাম, ভাৰতৰ সমস্ত ছুন্নী উ'লামা কিৰামে কুফ্‌ৰী ফতোৱা দিছে। মক্কা মদীনা শ্বৰীফৰ ফত্‌ৱা 'হুচ্ছামুল হাৰমাঈন' আৰু ভাৰতৰ ২৬৮ জন আ'লীমৰ ফত্‌ৱা 'আশ্ব

pdf By Syed Mostafa Sakib



খ্বাবাবিমুল হিন্দীয়া' নামেৰে প্ৰকাশিত হৈছে। পৰৱৰ্তী সময়ত তেওঁলোকেই এই দেশত ছুন্নী আ'মলক খ্বিৰ্ক, বিদ্আ'ত ঘোষণা কৰি এই দেশৰ মুছলমানৰ মাজত দলাদলি আৰু ফিত্‌নাৰ সৃষ্টি কৰিছে।

সহায়ক গ্ৰন্থঃ

১। মুফ্তী আব্দুল কাইয়্যুম ক্বাদ্ৰী চাহেবৰ 'তাৰীখে নজ্দ ও হেজ্জাজ'।
২। 'Advice for the Muslim', 'Advice for the Wahhabi H.H Isik (Isik Kitabevi, Fatih, Istanbul, Turkey)
৩। 'ফত্ৱা হুচ্ছামুল হাৰ্মাইন', 'আশ্ব খ্বাৱাবিমুল হিন্দীয়া'।
৪। আ'ল্লামা আৰ্শ্বদুল ক্বাদ্ৰীৰ 'তবলীগী জামাআ'ত', 'জালজালা'।
৫। দেওবন্দী সকলৰ গ্ৰন্থ- 'ফত্ৱা ৰচিদীয়া', 'বাৰাহীনুল ক্বাতীয়া', 'তাহ্‌জিৰুণ নাছ', 'ছীৰাতে মুস্তাকীম', 'তাক্ৱিয়াতুল ঈমান', 'হিফ্‌জুল ঈমান', 'আশ্ব খ্বিহাবুশ্ব খ্বাকিব'।
৬। হজৰত আ'ল্লামা নূৰুন্নবী খাঁন চাহেবৰ 'ৰছুল প্ৰেমীকদেৰ সঠিক ও গোমৰাহদেৰ ভ্ৰান্ত মত'।

❀❀❀

*বিঃদ্ৰঃ ইয়াত উল্লেখ কৰা 'মুসাম্মদ', 'ৰস্‌মত', 'মাস্‌মুদ' 'ক্বুৰ্‌আন', 'ফৰিস্তা', 'দুআ', 'সাবীব' আদি প্ৰকৃত আৰবী উচ্চাৰণ ভঙ্গীত লিখিবলৈ প্ৰয়াস কৰা হৈছে। আৰু (স্বাঃ) লিখা ঠাইত স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম, (ৰাঃ)ৰ ঠাইত ৰাদ্বি য়াল্লাহু আ'নহু, (ৰহঃ)ৰ ঠাইত ৰাস্‌মাতুল্লাহি আ'লাইহ পঢ়িবৰ বাবে অনুৰোধ থাকিল — লেখক*



## পবিত্ৰ দৰুদ শ্বৰীফৰ আ'মল

১। দৰুদ ইছ্‌মে আজম ঃ আল্লাহু ৰাব্বু মুসাম্মাদিন স্বাল্লা আ'লাইহি ৱা ছাল্লামা নাস্‌নু ই'বাদু মুসাম্মাদিন স্বাল্লা আ'লাইহি ৱা ছাল্লামা। (এই দৰুদ ১০০বাৰ দৈনিক পঢ়াৰ অভ্যাস কৰক দ্বীন দুনীয়াৰ সকলো কামত নিশ্চিত ভাবে সফলতা লাভ কৰিব।)

২। দৰুদ নূৰ ঃ আল্লাহুম্মা স্বাল্লি আ'লা ছাইয়্যিদিনা মুসাম্মাদিন নূৰিল আন্‌ৱাৰি ৱা ছাৰ্‌ৰিল আছ্‌ৰাৰি ৱা ছায়্যিদিল আব্‌ৰাৰ।

৩। দৰুদ যুমুআ'হ ঃ স্বাল্লাল্লাহু আ'লান্নাবীয়ীল উম্মী ৱা আ'লিহি, স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম স্বালাতাও ৱা ছালামান আ'লাইকা ইয়া ৰাছুলাল্লাহ। (এই দৰুদ শ্বৰীফটি প্ৰত্যেক নামাজ বিশেষকৈ যুমুআ'হ নামাজৰ পিছত মদীনা মনোৱাৰৰ পিনে মুখ কৰি এশবাৰ পঢ়িলে অসংখ্য ফজীলত আৰু বৰকত হাস্বিল হয়।

৪। দৰুদ গাউছীয়া ঃ আল্লাহুম্মা স্বাল্লি আ'লা ছাইয়্যিদিনা ৱা মাওলানা মুসাম্মাদিন মা'দিনিল যুদি ৱাল কাৰাম ৱা আলিহি ৱা বাৰিক ৱা ছাল্লিম।

৫। দৰুদ যামালী ঃ আল্লাহুম্মা স্বাল্লি আ'লা ছাইয়্যিদিনা মুসাম্মাদিও ৱা আ'লা আলিহি বিক্বাদ্‌ৰি সুহনিহি ৱা যামালিহি। (হজৰত হাছান বিন আলী (ৰাঃ)এ ইৰ্শ্বাদ কৰে- "যিয়ে কোনো পেৰেছানী (মুছীবত)ত পতিত হয়, তেওঁ এই দৰুদ হাজাৰ বাৰ মুসাব্বতৰ সৈতে পাঠ কৰি দুআ' কৰিব আল্লাহ পাকে তেওঁৰ সকলো ধৰণৰ মুছিবত দূৰ কৰি দিব।)

৬। ৮০ বছৰ গুণাহ মাফ হোৱাৰ দৰুদ ঃ আল্লাহুম্মা স্বাল্লি আ'লা মুসাম্মাদিন নাবীয়্যীল উম্মীয়ী ৱা আ'লা আলিহি ৱা বাৰিক ছাল্লিম। (হজৰত ছহল বিন আব্দুল্লাহ (ৰাঃ)ৰ পৰা বৰ্ণিত হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামএ ইৰ্শ্বাদ কঁৰে-"যি ব্যক্তিয়ে যুমুআ'হৰ দিনা আচৰৰ নামাজ বাদ এই দৰুদ ৮০ বাৰ পাঠ কৰিব তেখেতৰ ৮০ বছৰৰ গুণাহ মাফ কৰি দিয়া হ'ব।)

৭। দৰুদ মাগ্বফিৰাত ঃ আল্লাহুম্মা স্বাল্লি আ'লা ছায়্যিদিনা ৱা মাওলানা মুসাম্মাদ, ৱা আ'লা আলিহি ৱা বাৰিক ৱা ছাল্লিম। (এই দৰুদ পঢ়িলে তৎক্ষণাত গুণাহ মাফ হৈ যায়।)

৮। দৰুদ খিজ্‌ৰী ঃ স্বাল্লাল্লাহু আ'লা সাবীবিহি মুসাম্মাদ ৱা আলিহি ৱা বাৰাকা ৱা ছাল্লামা। (এইটো এনেকুৱা দৰুদ পাক যাক পাঠ কৰিলে ৰছুলুল্লাহ (স্বাঃ)ৰ ৰৌজা মুবাৰক জিয়াৰত নছীব হয়, ইচ্ছাবিলাক পূৰ হয়, মুসাব্বত প্ৰকৃততে বৃদ্ধি হৈ থাকে।)

pdf By Syed Mostafa Sakib

আ'লা ( اعلیٰ ) হজৰত ইমাম আহমদ ৰেজাখাঁ ক্বাদ্‌ৰী(ৰহঃ)ৰ কেইটামান গুৰুত্বপূৰ্ণ নচিহত-



১। ডাঙৰ ডাঙৰ মাদ্ৰাছা প্ৰতিষ্ঠা কৰিব লাগিব আৰু সেইসমূহত যথাযথ নিয়মে পঢ়াশুনা চলাই ৰাখিব লাগিব।

২। ছাত্ৰ সকলক আৰ্থিক সাহায্য দিব লাগিব যাতে তেওঁলোকৰ মাজত প্ৰেৰণা আহে।

৩। মুদাৰ্ৰিচ সকলক খিদ্‌মতৰ গুণাগুণ অনুসৰি উপযুক্ত বেতন দিব লাগিব।

৪। ছাত্ৰসকলক মানসিকতাৰ পৰীক্ষা কৰিব লাগিব আৰু যিজন যেনেকুৱা কামৰ কাৰণে উপযুক্ত তাক সেই কামত লগাই দিব লাগিব। ছাত্ৰ সকলৰ মাজত যিসকল প্ৰস্তুত থাকে বিভিন্ন দেশলৈ সিহঁতক প্ৰেৰণ কৰিব লাগিব যাতে তেওঁলোকে তাত গৈ লেখনী, বক্তৃতা, ওৱাজ নচিহতৰ মাধ্যমত আৰু মুনাজাৰাহ কৰি দ্বীন আৰু মযহবৰ কাম কৰিব পাৰে।

৫। ভাল ভাল লেখক সকলক আৰ্থিক সাহায্য দি মযহবৰ সমৰ্থনত বদ মযহবৰ বিৰোদ্ধে উত্তম ৰূপত কিতাপ পত্ৰ লেখাব লাগিব।


৬। পুৰণা আৰু নতুনকৈ লেখা কিতাপসমূহ সুন্দৰ আৰু মনোৰম ৰূপত ছপাই বিনা মূল্যে বিতৰণ কৰিব লাগিব।

৭। আপোনালোকৰ পত্ৰ-পত্ৰিকা প্ৰকাশ হৈ থাকিব লাগিব ঠিক সময়ত মযহবী লেখাসমূহ দেশৰ চাৰিওফালে মূল্য নোলোৱাকৈ প্ৰত্যেক দিন অথবা প্ৰত্যেক সপ্তাহত পঠাই থাকিব লাগিব। হাদীচ পাকত আছে- "শেষ যুগত দিৰহাম আৰু দিনাৰৰ দ্বাৰা দ্বীন চলি থাকিব" যিহেতু সত্যবাদী নবী (স্বাঃ)ৰ সত্যবাদী কথা সেয়ে এই কথা বাস্তৱ হ'বই। (ফত্‌ৱা ৰিজৱীয়া শ্বৰীফ)

Printed at: Paramount Offset, Bordoulguri, Darrang (Assam)
Mobile No. 9854046383

কালামুল ইছলাম- ৪

# ইছলামত সংস্কাৰবাদ




محمد فاروق عبدالله نوری
মুহাম্মদ ফাৰুক আব্দুল্লাহ নূৰী